(২) যদি, কর্ণগোচৰ হোৱা অনুসৰি উপযুক্ত সুবিধা জন্মবিষয়ক পৰামৰ্শদাতাকেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিক দিয়াৰ পাছত আৰু পৰামৰ্শ দাতা সমিতিৰ পৰামৰ্শ দিয়া অনুযায়ী প্ৰকৃত কৰ্তৃপক্ষই এই আইন অথবা নিয়মাৱলীৰ ব্যৱস্থা সমূহ ভংগ কৰিছে বুলি সন্তোষিত হয়, তেনেহলে ফৌজদাৰী দণ্ডৰ পুৰ্ব্বৱস্থা অবিহনে তেনে কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকৰ বিপৰীতে উপযুক্ত বুলি ভবা সময়ৰ কাৰণে পঞ্জীকৰণ প্ৰত্যাখ্যানৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে অথবা যথানুসাৰে ইয়াৰ পঞ্জীকৰণ নাকচ কৰিব পাৰে।

(৩) উপধাৰা (১) আৰু (২) ৰ যদিওবা কোনো বিষয়বস্তু আছে, যদিহে প্ৰকৃত প্ৰাধিকাৰীৰ দৃষ্টি ভংগীত বা বিবেচনা অনুসৰি জনস্বাৰ্থৰ খাতিৰত প্ৰয়োজনীয় অথবা জৰুৰীভাবে কৰিব লগীয়া হয়, তেনেহলে কাৰণ সমূহৰ লিখিত তথ্যৰ ভিত্তিত জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা যিকোনো ক্লিনিকৰ পঞ্জীকৰণ উপধাৰা (১) ৰ মৰ্মে যিকোনো জাননী জাৰি নকৰাকৈ প্ৰত্যাখ্যান কৰিব পাৰিব।

২১। **আপিল আবেদন ঃ** জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকে ধাৰা ২০ ৰ অধীনত প্ৰকৃত প্ৰাধিকাৰীৰ দ্বাৰা পঞ্জীকৰণ প্ৰত্যাখ্যান অথবা নাকচ কৰা নিৰ্দেশ প্ৰাপ্তিৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত এনে নিৰ্দেশনাৰ বিপৰীতে এক আপিল কৰিব পাৰিব—

১) আবেদন কেন্দ্ৰীয় প্ৰকৃত প্ৰাধিকাৰীৰ নিৰ্দেশৰ বিপৰীতে হলে কেন্দ্ৰীয় চৰকাৰলৈ; আৰু

২) আবেদন ৰাজ্যিক প্ৰকৃত প্ৰাধিকাৰীৰ নিৰ্দেশৰ বিপৰীতে হলে ৰাজ্য চৰকাৰলৈ, বিহিত কৰা ধৰণে আপিল কৰিব পাৰিব।

## অধ্যায়-৭

## অপৰাধ আৰু দণ্ড

২২। **গৰ্ভধাৰণ আৰু জন্মৰ পূৰ্বে লিংগ নিৰ্ণয় সম্পৰ্কিত বিজ্ঞাপনৰ নিষেধাজ্ঞা আৰু উলংঘণৰ বাবে শাস্তি –**

(১) কোনো ব্যক্তি, সংগঠন, জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাৰ অথবা ক্লিনিককে ধৰি আল্ট্ৰাচাউণ্ড মেচিন বা ইমাজিং মেচিন, স্কেনাৰ অথবা যিকোনো কাৰিকৰী ব্যৱস্থাই লিংগ নিৰ্ণয় কৰিব পৰা ক্ষমতা থকা ক্লিনিকে, গৱেষণাগাৰ অথবা কেন্দ্ৰই যিকোনো প্ৰকাৰেৰে ইন্টাৰনেটৰ যোগে এনে কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক বা আন যিকোনো ঠাইত জন্মৰ আগেয়ে লিংগ নিৰ্ণয় বা বাছনিৰ সুবিধা থকা অন্য যিকোনো অনুষ্ঠানে প্ৰচাৰ, বিতৰণ নাইবা যোগাযোগ কৰিব নোৱাৰিব।

(২) কোনো ব্যক্তি অথবা সংগঠনকে ধৰি জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিকে প্ৰচাৰ, বিতৰণ, যোগাযোগ কৰিব নোৱাৰিব নাইবা জন্মৰ আগতীয়া লিংগ নিৰূপন অথবা গৰ্ভধাৰণৰ পূৰ্বে লিংগ সম্পৰ্কিত বৈজ্ঞানিক অথবা যিকোনো প্ৰকাৰে যিয়েই নহওক প্ৰচাৰ বিতৰণ অথবা যোগাযোগৰ কোনো বিজ্ঞাপন দিব নোৱাৰিব।

(৩)  কোনো ব্যক্তিয়ে উপধাৰা (১) নাইবা উপধাৰা (২) ৰ বিৰুদ্ধে হলে কাৰাবাস দণ্ডণীয় হ'ব পাৰে, যি কাৰাবাস ৩ বছৰ কাল পৰ্যন্ত বৃদ্ধি কৰিব পাৰে আৰু জৰিমনাসহ ১০ হেজাৰ টকালৈ বৃদ্ধি কৰিব পাৰে।

ব্যাখ্যা ঃ এই ধাৰাৰ উদেশ্যে "বিজ্ঞাপন"- এ জাননী, পৰিপত্ৰ, লেবেল, ৰেপাৰ বা ইন্টাৰনেট যোগে দিয়া বিজ্ঞাপনকে ধৰি অথবা আন ইলেকট্ৰনিক মাধ্যম অথবা ছপা আকাৰৰ বিজ্ঞাপনকে ধৰি অন্যান্য তথ্য আৰু প্ৰস্তুত কৰা দৃশ্যমান কোনো হৰ্ডিং, বেৰলিখন, চিগনেল লাইট, চাউণ্ড, ধূমপান বা গেছ আদি অন্তৰ্ভূক্ত হ'ব।

২৩। **অপৰাধ আৰু শাস্তি ঃ**

(১)  কোনো জন্মবিষয়ক বিশেষজ্ঞ, স্ত্ৰীৰোগ বিশেষজ্ঞ, পঞ্জীয়ণভূক্ত চিকিৎসকে নাইবা কোনো ব্যক্তিৰ নিজা জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিক আছে অথবা তেনে কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিকত নিয়োজিত কৰ্মচাৰী আৰু তেওঁ বৃত্তিমূলক বা কাৰিকৰী সেৱা আগবঢ়াইছে নাইবা এনে কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিকত অবৈতনিক ভিত্তিত বা অন্য যিকোনো প্ৰকাৰে হওঁক যিজনে এই আইন বা ইয়াৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলীৰ ব্যৱস্থাসমূহৰ যদি কোনো বিৰুদ্ধাচৰণ কৰিছে, তেনেহলে তেওঁ জৰিমনা সহ কাৰাদণ্ডৰে দণ্ডণীয় হ'ব, যি কাৰাদণ্ড ৩ বছৰলৈ আৰু জৰিমনা সহ ১০ হেজাৰ টকালৈকে বৃদ্ধি কৰিব পাৰে আৰু পৰৱৰ্ত্তী অপৰাধৰ বাবে কাৰাবাস ৫ বছৰলৈকে আৰু জৰিমনা ৫০ হেজাৰ টকালৈকে বৃদ্ধি কৰিব পাৰে।

(২)  পঞ্জীয়ণভূক্ত চিকিৎসকৰ নাম, প্ৰকৃত প্ৰাধিকাৰীৰ দ্বাৰা ৰাজ্যিক প্ৰয়োজনীয় ব্যৱস্থাৰ কাৰণে দাখিল, যদিহে আদালতৰ দ্বাৰা দোষী সাব্যস্ত কৰা হৈছে আৰু গোচৰটো নিষ্পত্তি নোহোৱা পৰ্যন্ত আৰু দোষী সাব্যস্তৰ কাৰণে পৰিষদৰ পঞ্জীয়ণ বহীৰ পৰা প্ৰথম দোষ হিচাবে ৫ বছৰৰ কাৰণে আৰু আনুষংগিক অপৰাধৰ কাৰণে স্থায়ীভাৱে তেওঁৰ নাম আতৰ কৰাৰ কাৰণে সংশ্লিষ্ট চিকিৎসা পৰিষদলৈ প্ৰয়োজনীয় ব্যৱস্থাৰ পঞ্জীয়ণ প্ৰত্যাহাৰৰ কাৰণে দাখিল কৰিব লাগিব।

---

২৯। ধাৰা ২২ (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ধাৰা ১৮, ২০০৩ ৰ ১৪ আইন যোগে ইয়াৰ সলনি কৰা হৈছে। সালসলনি পূৰ্বে ধাৰা ২২ দিয়া ধৰণে পঢ়ক --"। জন্মৰ আগেয়ে লিংগ নিৰ্ণয় সম্পৰ্কীয় বিজ্ঞাপনৰ নিষিদ্ধকৰণ আৰু বিৰুদ্ধাচৰণৰ বাবে শাস্তি--

(১) কোনো ব্যক্তি, সংগঠন, জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকে বা জন্মৰ আগেয়ে লিংগ নিৰ্ণয়ৰ সুবিধা থকা এনে কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক বা যিকোনো স্থানত যিকোনো প্ৰকাৰে এই সম্পৰ্কৰ বিজ্ঞাপন দিব বা দিয়াৰ কাৰণ থাকিব নোৱাৰিব।

(২) কোনো ব্যক্তি অথবা সংগঠনে জন্মৰ আগেয়ে লিংগ নিৰ্ণয়ৰ সুবিধা সম্পৰ্কত কোনো জন্মবিষয়ক পৰামৰ্শ দাতা কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিক নাইবা অন্য কোনো স্থানত যিকোনো প্ৰকাৰে বিজ্ঞাপন প্ৰচাৰ বা বিতৰণ নাইবা প্ৰচাৰ কৰাৰ বা যি কোনো বিজ্ঞাপন দিয়াৰ কাৰণ থাকিব নোৱাৰিব।

(৩) কোনো ব্যক্তিয়ে উপধাৰা (১) অথবা উপধাৰা (২) ব্যৱস্থাৱলীৰ বিৰুদ্ধাচৰণ কৰে তেনে ব্যক্তিক জৰিমনাসহ ৩ বছৰ কাল পৰ্যন্ত কাৰাদণ্ডৰে দণ্ডনীয় হ'ব, যি জৰিমনা ১০ হেজাৰ টকা পৰ্যন্ত বৃদ্ধি হ'ব পাৰে।

ব্যাখ্যা ঃ এই ধাৰাৰ উদেশ্য "বিজ্ঞাপন" - এ জাননী, পৰিপত্ৰ, লেবেল, ৰেপাৰ, বা অন্যান্য তথ্য আকৌ প্ৰতিনিধিত্ব কৰা কোনো দৃশ্যমান বস্তুৰে প্ৰস্তুত কৰা লাইট, চাউণ্ড, ধপাত বা গেছ অন্তৰ্ভূক্ত কৰে।"

(৩) কোনো এজন ব্যক্তিয়ে জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক বা আল্ট্ৰাচাউণ্ড ক্লিনিক বা ইমাজিং ক্লিনিক বা জন্মবিষয়ক বিশেষজ্ঞ চিকিৎসক, স্ত্ৰীৰোগ বিশেষজ্ঞ, চন'লজিষ্ট বা ইমাজিং ক্লিনিক বা জন্মবিষয়ক বিশেষজ্ঞ চিকিৎসক, স্ত্ৰীৰোগ বিশেষজ্ঞ, চন'লজিষ্ট বা ইমাজিং বিশেষজ্ঞ বা পঞ্জীয়ণভূক্ত চিকিৎসক নাইবা যিকোনো ব্যক্তি গৰ্ভৱতী মহিলাৰ ধাৰা ৪ ৰ উপধাৰা (২) ত নিৰ্দিষ্ট কৰা উদেশ্যৰ বাহিৰে লিংগ নিৰ্ণয় বা জন্মৰ আগেয়ে লিংগ নিৰ্ণয় পদ্ধতি পৰিচালনাৰ কাৰণে সাহায্য বিচাৰে তেনেহলে তেওঁ কাৰাবাস দণ্ডৰে দণ্ডণীয় কৰা হ'ব যি কাৰাবাস জৰিমনাসহ ৩ বছৰলৈ বৃদ্ধি কৰিব পাৰিব, যি জৰিমনা প্ৰথম অপৰাধ হিচাপে ৫০ হেজাৰ টকা লৈকে কৰিব বৃদ্ধি কৰিব পাৰে আৰু পুনৰ সংঘটিত অপৰাধৰ কাৰণে জৰিমনাসহ কাৰাবাস দিব পাৰে, যি কাৰাবাস ৫ বছৰলৈ আৰু জৰিমনা ১ লাখ টকালৈ বৃদ্ধি কৰিব পাৰে।

(৪) সন্দেহ আঁতৰোৱাৰ বাবে ইয়াৰ দ্বাৰা ব্যৱস্থা কৰা হৈছে যে, উপধাৰা (৩) ব্যৱস্থাৱলী কোনো মহিলাই নিৰূপন বা তেনে বাচনি ব্যৱস্থা কৰিব লগীয়া হৈছিল, তেনেহলে প্ৰযোজ্য নহব।

২৪। **জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা পৰিচালনা কৰাৰ ক্ষেত্ৰত ধাৰণা যদিওবা, কোনো বিষয়বস্তু ভাৰতীয় সাক্ষ্য আইন,** ১৮৭২ (১৮৭২ ৰ ১) আছে, আদালতে যদি আইন বিৰুদ্ধে বুলি প্ৰমাণ কৰে যে গৰ্ভৱতী মহিলাগৰাকী তেওঁৰ গিৰীয়েক অথবা অন্য কোনো সম্পৰ্কীয় যথানুসাৰে ধাৰা ৪ ৰ উপধাৰা (২) ত নিৰ্দিষ্ট কৰাৰ বাহিৰে জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা লবলৈ বাধ্য কৰাইছিল তেনেহলে তেনে ব্যক্তি ধাৰা ২৩ ৰ উপধাৰা (৩) ৰ অধীনত বেয়া কামৰ অপৰাধৰ দোষী সাব্যস্ত হ'ব আৰু সেই ধাৰাৰ অধীনত নিৰ্দিষ্ট কৰা মতে অপৰাধৰ শাস্তিৰ যোগ্য হ'ব।

---

৩০) উপধাৰা (২) আৰু (৩) (১৪-2003 ৰ পৰা) ৰ কাৰণে ধাৰা ১৯, ২০০৩ ৰ ১৪ আইন যোগে সলনি কৰা হৈছে। ইয়াৰ সালসলনিৰ পূৰ্বে উপধাৰা (২) আৰু (৩) ত দিয়া ধৰণে পঢ়ক – "(২) পঞ্জীয়ণভূক্ত চিকিৎসকৰ নাম যিজনক আদালতৰ দ্বাৰা উপধাৰা (১) ৰ অধীনত প্ৰকৃত প্ৰাধিকাৰীয়ে সংশ্লিষ্ট ৰাজ্যিক চিকিৎসা পৰিষদলৈ কাউন্সিলৰ পঞ্জীয়ণৰ পৰা প্ৰথম অপৰাধৰ কাৰণে ২ বছৰৰ বাবে আৰু আনুষংগিক অপৰাধৰ বাবে স্থায়ীভাবে অব্যাহতি দিয়াকে ধৰি যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰতিবেদন দাখিল কৰিব।

কোনো এজন ব্যক্তিয়ে জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক বা জন্ম বিষয়ক বিশেষজ্ঞ, স্ত্ৰীৰোগ বিশেষজ্ঞ বা পঞ্জীয়নভূক্ত চিকিৎসকৰ কোনো গৰ্ভৱতী মহিলাৰ (এনে মহিলাক নিৰূপন ব্যৱস্থা লবলৈ বাধ্য কৰোৱা হৈছিলিকে ধৰি) জন্মৰ পূৰ্বে নিৰূপন ব্যৱস্থা পৰিচালনা কৰাৰ বাবে ধাৰা ৪ ৰ দফা (২) ত নিৰ্দিষ্ট কৰাৰ বাহিৰে সাহায্য বিচাৰে তেনেহলে কাৰাবাসেৰে দণ্ডণীয় হ'ব, যি দণ্ড জৰিমনাসহ ৩ বছৰলৈ বৃদ্ধি হ'ব পাৰে আৰু জৰিমনা ১০ হেজাৰ টকালৈ বৃদ্ধি হ'ব পাৰে আৰু আনুষংগিক যিকোনো দোষৰ বাবে কাৰাবাস ৫ বছৰলৈ আৰু জৰিমনা ৫০ হাজাৰলৈ বৃদ্ধি কৰিব পাৰে।"

৩১) ধাৰা ২৪ (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ধাৰা ২০, ২০০৩ ৰ ১৪ আইন যোগে সলনি কৰা হৈছে। ইয়াৰ সালসলনি ধাৰা ২৪ ত দিয়া ধৰণে পঢ়ক –" ২৪ জন্মৰ পূৰ্বে নিৰ্ণয় ব্যৱস্থা পৰিচালনাৰ ক্ষেত্ৰত ধাৰণা যদিওবা, যিকোনো বিষয়বস্তু ভাৰতীয় সাক্ষ্য আইন, ১৮৭২(১৮৭২ ৰ ১) ৰ ক্ষেত্ৰত আদালতৰ দ্বাৰা যদি আইন বিৰুদ্ধ বুলি প্ৰমাণ কৰা হয় যে গৰ্ভৱতী মহিলা গৰাকীৰ তেওঁৰ স্বামী অথবা আত্মীয়ই জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা লবলৈ বাধ্য কৰাইছে, তেনেহলে ধাৰা ২৩ ৰ উপধাৰা (৩) ৰ অধীনত তেনে ব্যক্তি বেয়াকামৰ অপৰাধৰ বাবে দোষী সাব্যস্ত হ'ব আৰু সেই ধাৰাত নিৰ্দিষ্ট কৰা অপৰাধৰ কাৰণে শাস্তিৰ যোগ্য হ'ব।

২৫। **আইন অথবা নিয়মাৱলীৰ ব্যৱস্থা সমূহৰ উলংঘনৰ কাৰণে জৰিমণা যাৰ বাবে কোনো নিৰ্দিষ্ট শাস্তিৰ ব্যৱস্থা নাই ঃ** এই আইন অথবা ইয়াৰ অধীনত প্ৰণয়ন কৰা যিকোনো নিয়মাৱলীৰ যিকোনো ব্যৱস্থা ভংগকাৰীৰ বাবে আইনগত ক'তো জৰিমনাৰ ব্যৱস্থা নাই, তথাপি কাৰাবাসেৰে দণ্ডিত হ'ব যি কাৰাবাস ৩ মাহলৈ বৃদ্ধি কৰিব পাৰে অথবা জৰিমণা, যি জৰিমণা এহেজাৰ টকালৈ অথবা উভয়কে বৃদ্ধি কৰিব পাৰে আৰু ধাৰাবাহিক উলংঘনৰ ক্ষেত্ৰত অতিৰিক্ত জৰিমনা যি জৰিমনা প্ৰথম উলংঘনৰ কাৰণে দোষী কৰাৰ পিছত ধাৰাবাহিক উলংঘনৰ প্ৰত্যেক দিনৰ বাবে ৫০০ টকালৈ বৃদ্ধি কৰিব পাৰে।

২৬। **কোম্পানী সমূহৰ অপৰাধ ঃ-**

(১) এই আইনৰ অধীনত কোম্পানীয়ে কোনো শাস্তিৰ যোগ্য অপৰাধ কৰিলে কোম্পানীৰ প্ৰত্যেক ব্যক্তিয়েই অপৰাধ সংঘটিত কৰাৰ সময়ত কোম্পানীৰ কাৰ্য্য পৰিচালনাৰ দায়িত্বত আছিল আৰু কোম্পানীৰ কাৰ্য্য সম্পাদনৰ বাবে দায়বদ্ধ তেনেহলে তেনে অপৰাধৰ বাবে দোষী বুলি গণ্য হ'ব আৰু আইন মতে গোচৰ চলিব আৰু শাস্তিৰ যোগ্য হ'ব।

ব্যৱস্থা আছে যে এই উপধাৰাত কোনো ব্যক্তি দায়ী নহব যদিহে প্ৰমাণিত হয় যে তেওঁৰ অজ্ঞাতে তেনে অপৰাধ সংঘটিত হৈছিল বা তেনে অপৰাধ সংঘটিত নহবৰ কাৰণে তেওঁ সকলো সতৰ্কতা অৱলম্বন কৰিছিল।

(২) উপধাৰা (১) ত থকা স্বত্বেও যদি এই আইনৰ অধীনত শাস্তিৰ যোগ্য কোনো অপৰাধ কোম্পানীৰ দ্বাৰা কৰা হৈছে যে সন্মতি অথবা আওকান কৰি নাইবা সঞ্চালক, পৰিচালক, সচিব বা কোম্পানীৰ অন্যান্য বিষয়াই অৱহেলা কৰি আৰোপ কৰাত অপৰাধ সংঘটিত কৰা হৈছে তেনেহলে এনে সঞ্চালক, পৰিচালক, সচিব নাইবা অন্যান্য বিষয়াকো সেই অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু তাৰ বিপৰীতে আইনগত ব্যৱস্থা লোৱা হব আৰু সেই অনুসৰি শাস্তিৰ যোগ্য হব।

**ব্যাখ্যা ঃ এই ধাৰাৰ উদেশ্য ঃ** (ক) কোম্পানী মানে যিকোনো নিগম, নিকায় আৰু পাম অথবা ব্যক্তিগত অন্যন্য সংস্থা অন্তৰ্ভূৰ্ক্ত কৰা বুজাব; আৰু

(খ) "সঞ্চালক" মানে পামৰ সৈতে জৰিত অৰ্থাত পামখনৰ এক অংশীদাৰ।

২৭। **অপৰাধ ধৰ্ত্তব্য, জামিন বিহীন আৰু আপোচ বিহীন ঃ**
এই আইনৰ অধীনত প্ৰত্যেক অপৰাধ ধৰ্ত্তব্য, জামিন বিহীন, আপোচ বিহীন হব।

২৮। **অপৰাধ বিচাৰ ঃ** এই আইনৰ অধীনত কোনো আদালতে অপৰাধৰ বিচাৰ কৰিব নোৱাৰিব, অভিযোগ উত্থাপন কৰাৰ ব্যতিৰেকে-

(ক) সংশ্লিষ্ট উপযুক্ত কৰ্তৃপক্ষ, নাইবা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অথবা ৰাজ্যচৰকাৰৰ দ্বাৰা ইয়াৰ হকে কৰ্তৃত্ব প্ৰদান কৰা কোনো বিষয়াই অথবা প্ৰকৃত কৰ্তৃপক্ষই যথানুসাৰে; বিহিত কৰা ধৰণে গোচৰ তৰিব পাৰিব।

(খ) কোনো ব্যক্তিয়ে অপৰাধ সংঘটিত কৰা অভিযোগ সম্বলিত আৰু তেওঁৰ গোচৰ তৰাৰ ইচ্ছা ব্যক্ত কৰি বিহিত কৰা ধৰণে প্ৰকৃত কৰ্তৃপক্ষলৈ নটিশ জাৰি কৰি ১৫ দিনৰ সময় দিয়াৰ পিছত নিজে আদালতত গোচৰ তৰিব পাৰিব।

**ব্যাখ্যা ঃ** এই দফাৰ উদ্দেশ্যে "ব্যক্তিয়ে" এক সামাজিক সংস্থাকো অন্তভূৰ্ক্ত কৰিব।

(২) মহানগৰ দণ্ডাধীশ বা প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ বাহিৰে কোনো আদালতে এই আইনৰ অধীনত শাস্তিৰ যোগ্য যিকোনো অপৰাধৰ বিচাৰ কৰিব নোৱাৰিব।

(৩) উপধাৰা (১) ৰ দফা (খ) ৰ অধীনত য'ত অভিযোগ দাখিল কৰিছে তাৰ আদালতে এনে ব্যক্তিৰ দাবীৰ ভিত্তিত প্ৰকৃত কৰ্তৃপক্ষক তেওঁৰ অধিকাৰত থকা সংশ্লিষ্ট তথ্য পাতিৰ প্ৰতিলিপি তেনে ব্যক্তিক দিবলৈ ব্যৱস্থা কৰাৰ কাৰণে নিৰ্দেশ দিব।

---

(৩২) "৩০ দিন" (১৪-১-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ধাৰা ২১,২০০৩ ৰ ১৪ আইন যোগে সলনি কৰা হৈছে।

# অধ্যায়-৮

# সানমিহলি

২৯। **তথ্যপাতিৰ পৰিচালনা ঃ**

(১) সকলো তথ্যপাতিৰ তালিকা; প্ৰতিবেদন, সন্মতিপত্ৰ আৰু অন্যান্য প্ৰয়োজনীয় তথ্য পাতি পৰিচালনা কৰাৰ প্ৰয়োজন হ'ব আৰু নিয়মাৱলীয়ে ২ বছৰৰ কাৰণে নাইবা বিহিত কৰা সময়ৰ কাৰণে সংৰক্ষিত কৰা হ'ব।

ব্যৱস্থা আছে যে যদি কোনো ফৌজদাৰী অথবা অন্যান্য আইনগত ব্যৱস্থা কোনো জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকৰ বিপৰীতে আৰম্ভ কৰা হৈছে তেনেহলে এনে কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকৰ তথ্যপাতি আৰু অন্যান্য তথ্যপাতি কোনো আইনগত ব্যৱস্থা চূড়ান্ত মীমাংসা নোহোৱা পৰ্যন্ত সংৰক্ষিত কৰি ৰখা হ'ব।

(২) এনে সকলোবোৰ তথ্য সকলো সময়তে প্ৰকৃত প্ৰাধিকাৰী অথবা প্ৰকৃত কৰ্ত্তৃপক্ষৰ দ্বাৰা ইয়াৰ হকে কৰ্ত্তৃত্ব প্ৰদান কৰা আন কোনো ব্যক্তিয়ে পৰিদৰ্শনৰ কাৰণে প্ৰস্তুত কৰি ৰখা হ'ব।

৩০। **তথ্য পাতি ইত্যাদি অনুসন্ধান আৰু জব্দ কৰাৰ ক্ষমতা ঃ**

(১) প্ৰকৃত প্ৰাধিকাৰীৰ, বিশ্বাসৰ কাৰণ যদি থাকে যে এই আইনৰ মৰ্মে এক অপৰাধ সংঘটিত কৰা হৈছে বা যিকোনো জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিকত কৰা অনুযায়ী বা যিকোনো স্থানত তেনে প্ৰাধিকাৰীয়ে বা ইয়াৰ হকে কৰ্ত্তৃত্ব প্ৰদান কৰা কোনো বিষয়াই এই আইনৰ চৰ্তানুসাৰে বিহিত কৰা অনুযায়ী তেনে প্ৰাধিকাৰী বা বিষয়াই প্ৰয়োজন বোধ কৰে, তেনে সাহায্য কৰা জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক অথবা যিকোনো স্থানত প্ৰৱেশ কৰিব আৰু যথোপযুক্ত সময়ত অনুসন্ধান কৰিব অথবা যিকোনো প্ৰতিবেদন পঞ্জীয়ণ বহী, তথ্যবহী, পুস্তিকা, বিজ্ঞাপন অথবা তাত দেখা অন্য যি কোনো আপত্তিজনক বিষয়বস্তু সেই একে প্ৰাধিকাৰী বা আন যিকোনো বিষয়াই বাজেয়াপ্ত বা চীল কৰিব অথবা বিষয়াজনৰ যদি বিশ্বাসৰ কাৰণ থাকে যে এই আইনৰ অধীনত শাস্তিৰ যোগ্য কোনো অপৰাধ সংঘটিতৰ সপক্ষে সাক্ষ্য দাখিল কৰিব পাৰিব।

(২) দণ্ডবিধি আইন, ১৯৭৩ (১৯৭৪-২) অনুসন্ধান আৰু বাজেয়াপ্তৰ ব্যৱস্থাৱলী এই আইনৰ অধীনত প্ৰণয়ন কৰা অনুসৰি প্ৰত্যেক অনুসন্ধান অথবা বাজেয়াপ্তৰ হকে প্ৰযোজ্য কৰিব পাৰিব।

---

৩৩। উপধাৰা (১) (১৪-২-২০০৩ তাৰিখৰ পৰা) ৰ কাৰণে ধাৰা ২২, ২০০৩ ৰ ১৪ আইনযোগে সলনি কৰা হৈছে। সালসলনিৰ পূৰ্বে উপধাৰা (১) দিয়া ধৰণে পঢ়ক ঃ– " (১) যদি প্ৰকৃত প্ৰাধিকাৰীয়ে বিশ্বাস কৰে যে এই আইনৰ অধীনত অপৰাধ সংঘটিত কৰিছে বা জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিকত অপৰাধ সংঘটিত কৰা অনুযায়ী এনে প্ৰাধিকাৰী বা ইয়াৰ হকে কৰ্ত্তৃত্বপ্ৰদান কৰা আন যিকোনো বিষয়াই এই বিধিৰ চৰ্তসাপেক্ষে বিহিত কৰা অনুসৰি এনে সাহায্যৰ যথোপযুক্ত সময়ৰ, যদি থাকে তাত প্ৰবেশ কৰি অনুসন্ধান কৰিব আৰু প্ৰয়োজন বোধ কৰিলে তেনে বিষয়া অথবা প্ৰাধিকাৰীয়ে এনে জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিকৰ বিৱৰণ, পঞ্জীয়ণ বহী, তথ্যপাতি, পুস্তিকা, কিতাপ, বিজ্ঞাপন পৰীক্ষা কৰিব নাইবা তাত কোনো আপত্তিজনক তথ্য পালে তেনে প্ৰাধিকাৰী বা বিষয়াই যদি বিশ্বাস কৰে যে এই আইনৰ অধীনত শাস্তিৰ যোগ্য অপৰাধ সংঘটিত কৰাৰ সপক্ষে সাক্ষ্য দিব পাৰে, তেনেহলে সেইখিনি তথ্য বাজেয়াপ্ত কৰিব।"

৩১। **বিশ্বাস যোগ্যাতাৰ ভিত্তিত গ্ৰহণ কৰা কাৰ্যৰ সুৰক্ষা ঃ**

কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰ নাইবা প্ৰকৃত প্ৰাধিকাৰী অথবা কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ দ্বাৰা কৰ্ত্তৃত্বপ্ৰাপ্ত কোনো বিষয়া বা এই আইনৰ ব্যৱস্থাৱলী অনুসৰি বিশ্বাসযোগ্যতাৰ ভিত্তিত সম্পন্ন কৰা নাইবা কৰিব বিচৰা যিকোনো বিষয়বস্তুৰ হকে কৰ্ত্তৃপক্ষৰ বিৰুদ্ধে কোনো গোচৰ বা আন যিকোনো ন্যায়িক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিব।

(৩১) (ক) বাধাসমূহৰ আঁতৰ কৰণ ঃ

(১) জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া (অপব্যৱহাৰৰ বিনিয়ম আৰুৰ প্ৰতিৰোধ) সংশোধনী আইন ২০০২ বলবৎ কৰাৰ কোনো বাধাৰ উদ্ভৱ হয়, তেনেহলে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত হুকুম প্ৰচাৰ কৰি উপৰিউক্ত আইনত নথকা ব্যৱস্থাৱলীৰ ব্যৱস্থা কৰি বাধা আতোঁৱাৰ কাৰণে প্ৰয়োজন নাইবা যুক্তি সংগত।

ব্যৱস্থা আছে যে জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা (অপব্যৱহাৰ বিনিময় আৰু প্ৰতিৰোধ) সংশোধনী আইন, ২০০২ বলবৎ হোৱা তাৰিখৰ পৰা ৩ বছৰ পাৰ হোৱাৰ পিছত এই ধাৰাৰ অধীনত কোনো নিৰ্দেশ দিব নালাগে।

(২) প্ৰত্যেক সদন বা লোক সভাৰ পূৰ্বে প্ৰত্যেক নিৰ্দেশ ইয়াক প্ৰস্তুত কৰাৰ পিছত লগে লগে এই ধাৰাৰ অধীনত লিপিবদ্ধ কৰিব লাগিব।

৩২। **আইন প্ৰণয়ন ক্ষমতা ঃ**

(১) এই আইনৰ ব্যৱস্থাৱলী পালন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বিধি প্ৰণয়ন কৰিব পাৰিব।

(২) বিশেষ বিৱৰণ আৰু পূৰ্বৰ অধিকাংশ অৱগত ক্ষমতাৰ সংশোধন অবিহনে এনে নিয়মাৱলীত এনে ব্যৱস্থা থাকিব।

১) পঞ্জীয়ণভুক্ত জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকত নিয়োগ কৰা ব্যক্তিসকলৰ নূন্যতম অৰ্হতা ধাৰা ৩ ৰ দফা (২) মৰ্মে;

১)(ক) গৰ্ভৱতী মহিলাৰ ওপৰত পৰিচালনা কৰা আল্ট্ৰাচ'নগ্ৰাফীৰ তথ্যপাতিৰ পৰিচালনা কৰা ধৰণে ব্যক্তিজনে ধাৰা ৪ ৰ উপধাৰা ৩ ৰ ব্যৱস্থা অনুসৰি ক্লিনিকত ৰাখিব;

২) গৰ্ভৱতী মহিলা সন্মতিপত্ৰ ধাৰা ৫ অনুসৰি পাব লাগিব;

৩) কেন্দ্ৰীয় পৰ্যবেক্ষন বৰ্ডৰ সদস্যসকলে তেওঁ লোকৰ কৰ্তব্যত মানিব লগীয়া প্ৰক্ৰিয়া ধাৰা ৮ ৰ উপধাৰা (৪) ৰ অধীন।

৪) পদেন সদস্যৰ বাহিৰে সদস্যসকলৰ ভাট্টা ধাৰা ৯ ৰ উপধাৰা (৫) অনুসৰি প্ৰযোজ্য।

ক) জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ আৰু ক্লিনিকত কাম কৰা ব্যক্তি সকলে কেন্দ্ৰীয় পৰ্যবেক্ষন বৰ্ডৰ ধাৰা ১৬ ৰ দফা (৪) ৰ অধীনত লিপিবদ্ধ কৰিব লগীয়া পৰিচালনাগাৰ কোড (সূচাংক) মানি চলিব লাগিব।

খ) ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত পৰ্যবেক্ষন বৰ্ডসমূহে বৰ্ড আৰু কেন্দ্ৰীয় চৰকাৰলৈ ৰাজ্যখনত কৰিবলৈ লোৱা বিভিন্ন কৰ্মৰাজিৰ ক্ষেত্ৰত ধাৰা ১৬ ক ৰ উপধাৰা (১) দফা (৪) ত দিয়া ধৰণে প্ৰতিবেদন দাখিল কৰিব লাগিব।

গ) প্ৰকৃত কৰ্ত্তৃপক্ষৰ যিকোনো অন্যান্য বিষয়ত ধাৰা ১৭ ক ৰ দফা।

(ঘ) ৰ অধীনত ক্ষমতাশীল কৰা;

(৫) ঘ) উপদেষ্টা সমিতিৰ যিকোনো দুখন বৈঠকৰ মাজত বিৰতিৰ সময় ধাৰা ১৭ ৰ উপধাৰা (৮) ৰ ব্যৱস্থা অনুসৰি।

ঙ) উপদেষ্টা সমিতিৰ এজন ব্যক্তি নিয়োগ কৰাৰ চৰ্তাৱলী আৰু ধাৰা ১৭ ৰ উপধাৰা (৯) ৰ অধীন প্ৰক্ৰিয়া সমিতিখনে মানি চলিব লাগিব;

চ) পঞ্জীয়ণৰ কাৰণে আবেদনৰ প্ৰ-পত্ৰ আৰু যি ধৰণে দিব লাগে তাক প্ৰস্তুত কৰিব লাগিব আৰু ধাৰা ১৮ ৰ অধীনত উপধাৰা (২) মাজৰ এই সম্পৰ্কত মাচুল উক্ত ধাৰা মৰ্মে আদায় দিব লাগিব।

ছ) ধাৰা ১৮ উপধাৰা (৫) ৰ অধীনত জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ বা ক্লিনিকৰ দ্বাৰা পৰিচালনা কৰিব পৰা সা-সঁজুলি আৰু উন্নতমানৰ ব্যৱস্থা কৰা।

জ) পঞ্জীয়ণৰ দিবলগীয়া প্ৰমাণ পত্ৰখন প্ৰ-পত্ৰ ধাৰা ৯ ৰ উপধাৰা (১) অনুযায়ী দিয়া হ'ব।

ঝ) পঞ্জীকৰণৰ প্ৰমাণ পত্ৰখন যি ধৰণে যি সময়ৰ কাৰণে দিয়া হৈছে তাৰ পিছত নবীকৰণ কৰিব লাগিব আৰু এনে নবীকৰণৰ বাবে ধাৰা ১৯ উপধাৰা (৩) মৰ্মে মাচুল আদায় দিব লাগিব।

ঞ) ধাৰা ২১ অনুসৰি আপীলৰ প্ৰক্ৰিয়া অগ্ৰগতি দিয়া হ'ব।

ট) ধাৰা ২৯ ৰ উপধাৰা (১) অনুসৰি যি সময় পৰ্যন্ত তথ্যপাতি, তালিকাসমূহ কৰা হৈছে সেই সময়লৈকে তথ্যপাতি, তালিকা ইত্যাদি সংৰক্ষিত কৰা হ'ব;

ঠ) যি ধৰণে দলিল, তথ্যপাতি, সামগ্ৰী ইত্যাদি জব্দ কৰিব লাগে সেই ধৰণে জব্দ কৰি জব্দ নামা প্ৰস্তুত কৰিব লাগিব আৰু ধাৰা ৩০ ৰ উপধাৰা (১) ৰ অধীনত দলিল, তথ্যপাতি বা সামগ্ৰীসমূহ; যি সকলৰ জিম্মাৰ পৰা জব্দ কৰা হৈছে সেই সকল ব্যক্তিক জব্দ নামা প্ৰস্তুত কৰি প্ৰতিলিপি দিব লাগিব।

ড) অন্যান্য যিকোনো বিষয়বস্তু যিটো নিৰ্দ্ধাৰিণ কৰাৰ আৰশ্যক বা নিৰ্দ্ধাৰিণ কৰিব বিচাৰে।

---

৩৪) ধাৰা ২৩ (১৪-২-২০০৩ তাৰিখৰ পৰা) ২০০৩-১৪ আইনযোগে অন্তভূৰ্ক্ত কৰা হৈছে।

৩৫) দফা (১) (১৪-২-২০০৩ ৰ পৰা) ৰ কাৰণে ধাৰা ২৪, ২০০৩ ৰ ১৪ আইনযোগে সাল-সলনি কৰা হৈছে। সাল-সলনিৰ পূৰ্বৰ দফা (১) ত দিয়া ধৰণে পঢ়ক – "(১) পঞ্জীয়ণভূক্ত জন্ম পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ অথবা ক্লিনিকত নিয়োজিত ব্যক্তিসকলৰ কাৰণে নিম্নতম ধাৰা ৩ ৰ দফা ১ ৰ অনুসৰি"

৩৬) ধাৰা ২৪ (১৪-২-২০০৩ তাৰিখৰ পৰা) ২০০৩ ৰ ১৪ আইনযোগে অন্তভূৰ্ক্ত কৰা হৈছে।

৩৩। **বিনিয়ম প্ৰণয়নৰ ক্ষমতা ঃ**

বৰ্ডে চৰকাৰী ৰাজপত্ৰত অধিসূচনা জাৰি কৰা অনুযায়ী কেন্দ্ৰীয় চৰকাৰৰ আগতীয়া অনুমোদন সহ এই আইনখনৰ সৈতে ব্যৱস্থাৱলীত নথকা ব্যৱস্থাত বিনিময় প্ৰস্তুত কৰিব পাৰিব আৰু সেই সম্পৰ্কত প্ৰণয়ন কৰা নিয়মাৱলীৰ কাৰণে ব্যৱস্থা কৰা হব ঃ-

(ক) বৰ্ডৰ বৈঠকৰ সময় আৰু স্থান আৰু এনে বৈঠকৰ কাৰ্য ক্ৰমণিকাৰ ৰদ বদলৰ কাৰণে পালন কৰিবলগীয়া প্ৰক্ৰিয়া আৰু ধাৰা ৯ ৰ উপধাৰা (১) ৰ অধীনত মূল গঠন কৰাৰ সদস্য সংখ্যা;

(খ) ধাৰা ১১ উপধাৰা (১) অনুসৰি বৰ্ডৰ সৈতে অস্থায়ীভাবে কোনো ব্যক্তি চামিল হোৱাৰ ধৰণ;

(গ) ধাৰা ১২ ৰ অধীনত বৰ্ডত নিয়োজিত বিষয়া আৰু অন্যান্য কৰ্মচাৰী বৰ্গৰ নিযুক্তি প্ৰক্ৰিয়া, চাকৰিৰ চৰ্ত আৰু বেতনক্ৰম আৰু ভাট্টা;

(ঘ) সাধাৰণতে বৰ্ডৰ কামৰ পৰিচালনা দক্ষ কৰাৰ কাৰণে।

৩৪। **সংসদত উত্থাপন আৰু দাখিল কৰিব লগীয়া নিয়মাৱলী আৰু বিনিয়ম সমূহ ঃ**

এই আইনৰ প্ৰণয়ণ কৰা প্ৰত্যেক বিধি আৰু বিনিয়ম প্ৰণয়ন কৰাৰ পিছত লগে লগে প্ৰয়োজন অনুসৰি প্ৰত্যেক লোক সভাৰ মুঠ ৩০ দিনৰ অধিবেশনত উত্থাপন কৰিব লাগিব যি অধিবেশন এক বা দুই বা ততোধিক দিনৰ গঠিত অধিবেশন হ'ব পাৰে আৰু যদিহে, বৈঠকৰ ম্যাদ উকলি যোৱাৰ পূৰ্বে ততালিকে উপৰিউক্ত বৈঠক অথবা উক্ত বৈঠকৰ সফল অধিবেশনত উভয় সদনে বিধি আৰু বিনিয়ম ইয়াৰ পিছৰ পৰা কেৱল সংশোধি ৰূপত ব্যৱহাৰক হ'ব নাইবা নহব, যথা সাৰে যিয়েই নহওক এনে কোনো সংশোধন বা বাতিল সংস্কাৰ অবিহনে কোনো বিষয়বস্তু কাৰ্যকৰী পূৰ্বৰ বিধি নাইবা নিয়মমতে সম্পন্ন কৰা হ'ব।

# গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰুণৰ লিঙ্গ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন, ১৯৯৬

*গৰ্ভধাৰণ আৰু জন্মৰ আগতীয়া নিধাৰণ ব্যৱস্থা (বিনিয়ম আৰু প্ৰতিৰোধৰ অপ্যব্যৱহাৰ) আইন, ১৯৯৪ (১৯৯৪ ৰ ৫৭) ৰ ৩২ নম্বৰ ধাৰাৰ জৰিয়তে প্ৰদত্ত ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ইয়াৰ দ্বাৰা তলত উল্লেখ কৰা নিয়ম সমূহ নিধাৰণ কৰিছে, যেনে ঃ*

১। **সংক্ষিপ্ত আৰু প্ৰাৰম্ভণ -**

(১) এই বিধিসমূহক গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰুণৰ লিঙ্গ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন, ১৯৯৬ নামেৰে নামাকৰণ কৰা হ'ব।

(২) চৰকাৰী ৰাজপত্ৰত প্ৰকাশ হোৱা তাৰিখৰ পৰা ই বলবৎ হ'ব।

২। **সংজ্ঞা** ঃ এই আইনখন, যদি কোনো বিসংগতি নাথাকে তেতিয়া হলে প্ৰয়োজন সাপেক্ষে-

(ক) "আইন" মানে গৰ্ভধাৰণ আৰু জন্মৰ আগতীয়া নিৰ্বাচন কৌশল (বিনিয়ম আৰু প্ৰতিৰোধৰ অপব্যৱহাৰ) আইন, ১৯৯৪ (১৯৯৪ ৰ ৫৭ নং) ২

(খ) "কৰ্মচাৰী" মানে এজন ব্যক্তি যিজন কোনো জন্ম বিশেষক পৰামৰ্শ দাতা কেন্দ্ৰ, গৱেষণাগাৰ বা জন্ম সম্পৰ্কীয় ক্লিনিকত কৰ্মৰত বা নিয়োজিত হয় আৰু ইয়ে সেই প্ৰতিষ্ঠানত আংশকালীন, ঠিকা ভিত্তিক, পৰামৰ্শদাতা, অবৈতনিক আন কোনো ভিত্তিত কাৰ্য নিৰ্বাহ কৰে;

(গ) "প্ৰ-পত্ৰ" মানে - এই নিয়মৰ লগত সংলগ্ন পত্ৰ 3

(ঘ) [***]

(ঙ) 'ধাৰা' মানে আইন খনৰ ধাৰাক বুজাব।

(চ) যিবোৰ শব্দ আৰু উক্তি ইয়াত ব্যৱহাৰ হৈছে আৰু এই নিয়মাৱলীত সংজ্ঞাবদ্ধ হোৱা নাই কিন্তু এই আইনৰ ভিতৰত সংজ্ঞাবদ্ধ কৰা হৈছে সেই অৰ্থই আইনৰ সেই শব্দ আৰু উক্তিৰও প্ৰযোজ্য হ'ব।

৩। **নূন্যতম অৰ্হতা ঃ** এজন কৰ্মচাৰীৰ জন্মবিষয়ক কাউন্সেলিং কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক, আল্ট্ৰাচন'গ্ৰাফী ক্লিনিক আৰু ইমাজিং চেন্টাৰত কাম কৰিবলৈ হলে তেওঁৰ অৰ্হতা নিম্নউল্লেখিত ধৰণৰ হ'ব-

১) যি কোনো ব্যক্তি হিচাপে বা নিয়োজিত অনুসৰি-

(১) ৬ মাহ অভিজ্ঞতা থকা এজন স্ত্ৰীৰোগ বিশেষজ্ঞ অথবা শিশুৰোগ বিশেষজ্ঞ নাইবা ৪ সপ্তাহ জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰত প্ৰশিক্ষণ থকা, বা

(২) জন্ম বিষয়ক বিশেষজ্ঞ এজন চিকিৎসক, পৰ্যাপ্ত পৰিমানৰ ঠাই থকা আৰু জন্মবিষয়ক পৰামৰ্শ পালনৰ কাৰণে শৈক্ষিক তালিকা, নমুনা /সা-সজুলি জন্ম বিষয়ক পৰামৰ্শ কেন্দ্ৰ স্থাপন কৰা জন্ম বিষয়ক পৰামৰ্শ কেন্দ্ৰ হিচাবে পঞ্জীয়ণ প্ৰাপ্ত।

# গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰুণৰ লিঙ্গ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন, ১৯৯৬

*গৰ্ভধাৰণ আৰু জন্মৰ আগতীয়া নিধাৰণ ব্যৱস্থা (বিনিয়ম আৰু প্ৰতিৰোধৰ অপ্যব্যৱহাৰ) আইন, ১৯৯৪ (১৯৯৪ ৰ ৫৭) ৰ ৩২ নম্বৰ ধাৰাৰ জৰিয়তে প্ৰদত্ত ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ইয়াৰ দ্বাৰা তলত উল্লেখ কৰা নিয়ম সমূহ নিধাৰণ কৰিছে, যেনে ঃ*

১। **সংক্ষিপ্ত আৰু প্ৰাৰম্ভণ -**

(১) এই বিধিসমূহক গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰুণৰ লিঙ্গ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন, ১৯৯৬ নামেৰে নামাকৰণ কৰা হ'ব।

(২) চৰকাৰী ৰাজপত্ৰত প্ৰকাশ হোৱা তাৰিখৰ পৰা ই বলবৎ হ'ব।

২। সংজ্ঞা ঃ এই আইনখন, যদি কোনো বিসংগতি নাথাকে তেতিয়া হলে প্ৰয়োজন সাপেক্ষে-

(ক) "আইন" মানে গৰ্ভধাৰণ আৰু জন্মৰ আগতীয়া নিৰ্বাচন কৌশল (বিনিয়ম আৰু প্ৰতিৰোধৰ অপব্যৱহাৰ) আইন, ১৯৯৪ (১৯৯৪ ৰ ৫৭ নং) ২

(খ) "কৰ্মচাৰী" মানে এজন ব্যক্তি যিজন কোনো জন্ম বিশেষক পৰামৰ্শ দাতা কেন্দ্ৰ, গৱেষণাগাৰ বা জন্ম সম্পৰ্কীয় ক্লিনিকত কৰ্মৰত বা নিয়োজিত হয় আৰু ইয়ে সেই প্ৰতিষ্ঠানত আংশকালীন, ঠিকা ভিত্তিক, পৰামৰ্শদাতা, অবৈতনিক আন কোনো ভিত্তিত কাৰ্য নিৰ্বাহ কৰে;

(গ) "প্ৰ-পত্ৰ" মানে - এই নিয়মৰ লগত সংলগ্ন পত্ৰ 3

(ঘ) [***]

(ঙ) 'ধাৰা' মানে আইন খনৰ ধাৰাক বুজাব।

(চ) যিবোৰ শব্দ আৰু উক্তি ইয়াত ব্যৱহাৰ হৈছে আৰু এই নিয়মাৱলীত সংজ্ঞাবদ্ধ হোৱা নাই কিন্তু এই আইনৰ ভিতৰত সংজ্ঞাবদ্ধ কৰা হৈছে সেই অৰ্থই আইনৰ সেই শব্দ আৰু উক্তিৰও প্ৰযোজ্য হ'ব।

৩। **নূন্যতম অৰ্হতা ঃ** এজন কৰ্মচাৰীৰ জন্মবিষয়ক কাউন্সেলিং কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক, আল্ট্ৰাচন'গ্ৰাফী ক্লিনিক আৰু ইমাজিং চেন্টাৰত কাম কৰিবলৈ হলে তেওঁৰ অৰ্হতা নিম্নউল্লেখিত ধৰণৰ হ'ব-

১) যি কোনো ব্যক্তি হিচাপে বা নিয়োজিত অনুসৰি-

(১) ৬ মাহ অভিজ্ঞতা থকা এজন স্ত্ৰীৰোগ বিশেষজ্ঞ অথবা শিশুৰোগ বিশেষজ্ঞ নাইবা ৪ সপ্তাহ জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰত প্ৰশিক্ষণ থকা, বা

(২) জন্ম বিষয়ক বিশেষজ্ঞ এজন চিকিৎসক, পৰ্যাপ্ত পৰিমানৰ ঠাই থকা আৰু জন্মবিষয়ক পৰামৰ্শ পালনৰ কাৰণে শৈক্ষিক তালিকা, নমুনা /সা-সজুলি জন্ম বিষয়ক পৰামৰ্শ কেন্দ্ৰ স্থাপন কৰা জন্ম বিষয়ক পৰামৰ্শ কেন্দ্ৰ হিচাবে পঞ্জীয়ণ প্ৰাপ্ত।

২) (ক) পৰ্যাপ্ত পৰিমাণৰ স্থান সম্বলিত কোনো এজন ব্যক্তি আৰু নিয়োজিত হিচাপে।

(১) এজন জন্ম বিষয়ক বিশেষজ্ঞ, আৰু

(২) জীৱবিদ্যা বিজ্ঞানৰ স্নাতক ডিগ্ৰীধাৰী এজন পৰীক্ষাগাৰ কাৰিকৰী বিশেষজ্ঞই নাইবা জন্মৰ আগতীয়া চিনাক্ত কৰণ ব্যৱস্থা, পৰীক্ষা বা প্ৰক্ৰিয়া সমূহ পৰিচালনা কৰাৰ অতিকমেওক ১ বছৰৰ অভিজ্ঞতা থকা সহ ডিগ্ৰী অথবা চিকিৎসা পৰীক্ষাগাৰ বিষয়ত ডিপ্লমাধাৰীয়ে জন্মবিষয়ক গৱেষণাগাৰ স্থাপন কৰিব পাৰিব।

(খ) এনে পৰীক্ষাগাৰ সমূহত ক্ৰম'জম সম্পৰ্কীয়, জৈৱ ৰাসায়ন সম্পৰ্কীয় আৰু আনুবিক্ষনিক অধ্যয়ণৰ বাবে নিম্ন উল্লিখিত সামগ্ৰীসমূহ থাকিব লাগিব নাইবা বিচাৰিলে পোৱাকৈ থাকিব লাগিব।

**(১) ক্ৰমজ'ম সম্পৰ্কীয় অধ্যয়ন ঃ-**

১। অতি বেঙুনীয়া আৰু প্ৰতিদীপ্তমান পোহৰৰ সৈতে প্ৰবাহিত তৰপৰ অথবা অন্যান্য বৈশিষ্ট্য।

২। আলোক অনুবিক্ষন পোহৰৰ প্ৰতিদীপ্তমান উৎস সহ।

৩। মাইক্ৰস্কোপৰ ওলট পালত কৰণ

৪। উষ্মায়ক (ইনকিউবেটৰ) আৰু ওভেন

৫। এঙাৰ গেচ উষ্মায়ক অথবা জলবায়ুৰ ৫% $Co_2$ সহ প্ৰচলিত পদ্ধতি

৬। অ'টক্লেভ

৭। ৰিফ্ৰিজাৰেটৰ

৮। ৱাটাৰ বাথ

৯। চেনট্ৰিফিউজ

১০। ভৰটেক্স মিস্কাৰ

১১। মেগনেটিক ষ্টিৰাৰ

১২। পি. এইচ. মিটাৰ

১৩। সক্ৰিয় তুলাচনী (ঘাইকৈ বৈদ্যুতিক) ০.১ মিলি গ্ৰামৰ সক্ৰিয়তা সহ

১৪। দুৱাৰ পৰিশোধন শোধন কৰিব পৰা সা-সজুঁলি (কাঁচ/প্লাচ)

১৫। প্ৰয়োজন সাপেক্ষে অন্যান্য সা-সঁজুলি

---

১। ভাৰতৰ ৰাজপত্ৰত প্ৰকাশিত, বৰ্ধিতখণ্ড ২, ধাৰা ৩ ৰ (১) তাৰিখ ১-১-১৯৯৬

২। বৰ্তমানে গৰ্ভধাৰণ আৰু আগতীয়া চিনাক্তকৰণ পদ্ধতি (লিংগ নিৰূপন নিষিদ্ধকৰণ), আইন, ১৯৯৪

৩। ১৪-২-২০০৩ (১৪-২-২০০৩ ৰ পৰা) জি. এচ আৰ ১০৯ (ইং) যোগে সলনি কৰা হৈছে।

৪। ১-১-১৯৯৬

৫। ১৪-২-২০০৩ তাৰিখে (১৪-২-২০০৩ ৰ পৰা) জি. এচ. আৰ ১০৯ (ইং) যোগে দফা, ঘ বিলুপ্ত কৰা হৈছে। ইয়াৰ বিলুপ্তিকৰণৰ পূৰ্বে দফা ঘ দিয়া ধৰণে পঢ়ক —

৬। (ঘ) "অনুসূচী" মানে নিয়মাৱলীত সংযোজিত অনুসূচী ১৪-২-২০০৩ (১৪-২-২০০৩ ৰ পৰা) বুজাব। জি, এচ. আৰ. ১০৯ (ইং) যোগে সলনি কৰা হৈছে।

(২) জৈৱ ৰসায়ন অধ্যয়ন ঃ (পৰীক্ষা কৰিব পৰা মান অনুসৰি)

১) বেঙুনীয়া আৰু প্ৰতিদীপ্তমান পোহৰৰ সৈতে প্ৰবাহিত তৰপৰ অথবা অন্যান্য বৈশিষ্ট্য
২) প্ৰতিদীপ্তমান পোহৰ নিৰিক্ষন অনুবিক্ষন যন্ত্ৰ
৩) ওলট পালত অনুবিক্ষন যন্ত্ৰ
৪) এঙাৰ গেচ উষ্মায়ক অথবা জলবায়ুৰ ৫% $Co_2$ সহ চলিত পদ্ধতি
৫) অট'ক্লেভ
৬) ৰিফ্ৰিজাৰেটৰ
৭) ৱাটাৰ বাথ
৮) চেন্টিফিউজ
৯) ইলেকট্ৰ'ফৰেচিচ সা-সজুঁলি আৰু শক্তি যোগান,
১০) ক্ৰমট'গ্ৰাফী চেন্টাৰ
১১) স্পেক্ট ফটোমিটাৰ আৰু এলিজাৰিডাৰ বা ৰেডিঅ' ইমোনছে পদ্ধতি (গামা বেটা কাউন্টাৰ সহ) বা বিভিন্ন জৈব ৰসায়নিক পৰীক্ষাৰ বাবে ফ্লৰমিটাৰ।
১২) ভৰটিস্ক মিস্কাৰ
১৩) মেগনেটিক ষ্টিৰাৰ
১৪) পি এইচ মিটাৰ
১৫) এক সংবেদনশীল তুলাচনী (ঘাইকৈ বৈ বৈদ্যুতিক) ০.১ মিলি গ্ৰামৰ সংক্ৰিয়তা সহ।
১৬) দুবাৰ পৰিশোধন কৰিব পৰা সা-সজুলি (গ্লাচ)
১৭) জুলীয়া নাইট্ৰোজেন টেংকি
১৮) প্ৰয়োজন সাপেক্ষে অন্যান্য সা-সজুলি।

(৩) অনুবীয় অধ্যয়ণ ঃ-

১) ইফাল সিফাল কৰিব পৰা অনুবীক্ষণ যন্ত্ৰ
২) উষ্মায়ক
৩) অভেন
৪) অট'ক্লেভ
৫) ৰেফ্ৰিজাৰেটৰ (৪ ডিগ্ৰী আৰু ২০ ডিগ্ৰী (চেন্টিগ্ৰেড)
৬) ৱাটাৰ বাম
৭) মাইক্ৰ'চেন্ট্ৰি ফিউজ
৮) ইলেকট্ৰ'ফৰেচিচ সা-সঁজুলি আৰু শক্তিযোগান
৯) ভাৰটেক্স মিস্কাৰ
১০) মেগনেটিক ষ্টিৰাৰ
১১) পি এইচ মিটাৰ
১২) সক্ৰিয় তুলাচনী (ঘাইকৈ বৈদ্যুতিক) ০.১ মিলিগ্ৰাম সক্ৰিয়তা সহ

১৩) দুবাৰ পৰিশোধন কৰিব পৰা সা-সজুলি (গ্লাচ)
১৪) পি. চি. আৰ যন্ত্ৰ
১৫) ৰেফ্ৰিজাৰেটেড চেন্ট্ৰিফিউজ
১৬) ইউ. ভি ইলুমিনেটৰ ফটোগ্ৰাফিক সংযোজন অথবা অন্যান্য ডকুমেন্টেচন সহ
১৭) প্ৰেচিচন মাইক্ৰপাইপেটিচ
১৮) প্ৰয়োজন সাপেক্ষে অন্যান্য সা-সজুঁলি

৩। ১) কোনো বক্তি সহ পৰ্যাপ্ত পৰিমাণৰ ঠাই থকা নাইবা নিয়োজিত অনুসৰি ঃ

(ক) এই ক্ষেত্ৰত স্ত্ৰীৰোগ বিশেষজ্ঞ, যিয়ে অতি কমেও ২০ বাৰ তদাৰকৰ অধীনত স্ত্ৰী যোনাংগত বা তলপেটত কৰিআনিক ভিলি এচ-পাইৰেচন, কৰিআনিক বায়'পচি, এমমিঅ'চেনটৌচিচ, কৰ্ডছেনেটেটিচ, ফটোচকপি, গৰ্ভস্থ সন্তানৰ চৰ্ম অথবা অংগ বায়'পচি নাইবা ভ্ৰুণৰ ৰক্ত পৰীক্ষা ইত্যাদি প্ৰক্ৰিয়া সম্পন্ন কৰা অভিজ্ঞতা থকা শিশুৰোগ বিশেষজ্ঞ, বা

(খ) এজন চন'লজিষ্ট বিশেষজ্ঞ, ইমাজিং বিশেষজ্ঞ, ৰেডিওলজিষ্ট স্নাতকোত্তৰ ডিগ্ৰী বা ডিপ্ল'মা থকা অথবা ৬ মাহৰ প্ৰশিক্ষণ থকা নাইবা চন'গ্ৰাফী বা ইমাজিং স্কেনিংওৰ ১ বছৰৰ অভিজ্ঞতা থকা পঞ্জীয়ণ ভূক্ত চিকিৎসক; বা

(গ) এজন জন্ম বিষয়ক চিকিৎসকে - জন্মবিষয়ক ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক /ইমাজিং চেন্টাৰ স্থাপন কৰিব পাৰিব

২) জন্ম বিষয়ক ক্লিনিক /আল্ট্ৰাচাউণ্ড ক্লিনিক/ ইমাজিং কেন্দ্ৰ সমূহ পৰীক্ষা অথবা পদ্ধতি সমূহ পৰিচালনা কৰিবলৈ বিচাৰিলে পোৱাকৈ নিম্নলিখিত সা-সজুঁলি সমূহ থাকিব লাগিব।

(ক) প্ৰসুতি বিশেষজ্ঞ বা স্ত্ৰীৰোগ বিশেষজ্ঞ এজনৰ দ্বাৰা ক্লিনিকত পৰীক্ষা কৰিবলৈ প্ৰয়োজন সাপেক্ষে সা-সজুঁলিৰ লগতে তাৰ আনুষংগিক সামগ্ৰী।

(খ) এটা আল্ট্ৰাচাউণ্ড মেচিন, ইমাজিং মেচিন অথবা আন কোনো ভ্ৰুণ আল্ট্ৰাচ'নগ্ৰাফী কৰিব পৰা আন সঁজুলি ইত্যাদিকে ধৰি এটা মবাইল আল্ট্ৰাচন'গ্ৰাফী মেচিন।

(গ) উপযুক্ত কেথেটাৰ আৰু প্ৰতি স্ত্ৰী যোনাংগ তলপেটত কৰিঅনি ভিলাচ এচপিৰেচন কাৰ্য সম্পাদন কৰিব পৰাকৈ সা-সঁজুলি।

(ঘ) এমনিঅ'ছেন্টেচিচ বা কৰদোচেনটেচিচ কৰিবলৈ উপযুক্ত বীজানুমুক্ত বেজী

(ঙ) ভ্ৰুণ পৰীক্ষা কৰিবলৈ ভ্ৰুণ চৰ্ম বা অংশ বায়পসি বা ভ্ৰুণ ৰক্ত পৰীক্ষা কৰিবলৈ আনুসংগিক সহ এটা উপযুক্ত ভ্ৰুণ পৰীক্ষা যন্ত্ৰ থকাটো বাঞ্চনীয়।

(চ) শুল্ক আৰু আদ্ৰ বন্ধ্যাকৰণ কৰা সা-সঁজুলি

(ছ) প্ৰয়োজন সাপেক্ষে জৰায়ু খালীকৰণ অথবা পুনৰ চেতনা লাভ কৰা যন্ত্ৰ আদিৰ দৰে তৎকালীন কাৰ্য সম্পাদন কৰিব পৰা সা-সঁজুলি।

(জ) জেনেটিক কাৰ্য সম্পাদন কেন্দ্ৰ।

৩) (ক) আল্ট্ৰাচাউণ্ড মেচিন/ইমাজিং মেচিন বিক্ৰি ঃ

১) ব্যৱসায়িক সন্থাকে ধৰি কোনো সংগঠন অথবা আল্ট্ৰা চাউণ্ড মেচিন, ইমাজিং মেচিন বা কোনো ভ্ৰুণৰ লিংগ নিৰ্ণয়ক মেচিন আদিৰ যোগানকাৰী অথবা ব্যৱসায়ীকেই ধৰি যিকোনো ব্যক্তিয়েই বিক্ৰি, বিতৰণ, যোগান, ভাড়াত দিওতাক এইসমূহ যন্ত্ৰপাতি কোনো ধৰণে ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব বা তেনে কৰিবলৈ কৰ্ত্তৃত্ব দিয়া নহ'ব, সি ব্যয় সাপেক্ষেই হওক বা আন কাৰণেই হওক বা সি কোনো জেনেটিক পৰামৰ্শদাতা কেন্দ্ৰ, জেনেটিক পৰীক্ষাগাৰ, জেনেটিক ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক, ইমাজিং ক্লিনিক নহওক কিয়, যদিহে তেনে কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক বা ব্যক্তি এই আইনৰ অধীনত পঞ্জীকৃত নহয়।

২) কোনো ব্যক্তি এই আইনৰ অধীনত পঞ্জীকৃত সংস্থাকে এনে ধৰণৰ মেচিন সা-সঁজুলি যোগান ধৰোতাই তিনি মাহৰ মূৰে মূৰে এবাৰ কাক কাক তেনে মেচিন যোগান, সা-সঁজুলি যোগান ধৰা হৈছে, তাৰ এখন তালিকা সংশ্লিষ্ট ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰকৃত প্ৰাধিকাৰীলৈ পঠিয়াব লাগিব।

৩) আল্ট্ৰাচাউণ্ড মেচিন/ইমাজিং মেচিন বা ভ্ৰূণ লিংগ নিৰ্ণয় কৰিব পৰা আন আন সঁজুলিৰ প্ৰস্তুতকৰ্তা, আমদানীকাৰী ডিলাৰ বা যোগান কাৰীকে ধৰি যি কোনো সংস্থা বা ব্যক্তিকেই তেওঁলোকে সেই সঁজুলি বিক্ৰি, বিতৰণ, যোগান ধৰা অথবা যিকোনো ধৰণে সেই ঠাই সমূহ মেচিন বা সা-সঁজুলি ব্যৱহাৰ জন্মবিষয়ক কৰিবলৈ কৰ্ত্তৃত্ব প্ৰদান কৰা যি কোনো জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, জেনেটিক পৰীক্ষাগাৰ, জেনেটিক ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক, ইমাজিং কেন্দ্ৰ নাইবা এই আইনৰ অধীনত পঞ্জীকৃত যিকোনো ব্যক্তিৰ পৰা এইবুলি শপতনামা গ্ৰহণ কৰিব যাতে সেই সমূহ মেচিন/সা-সঁজুলি উক্ত জেনেটিক পৰামৰ্শদাতা কেন্দ্ৰ, জেনেটিক পৰীক্ষাগাৰ, জেনেটিক ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক, ইমাজিং কেন্দ্ৰ বা এই আইনৰ অধীনত পঞ্জীকৃত কোনো ব্যক্তিয়েই যিয়ে উক্ত মেচিন/সা-সঁজুলি ক্ৰয় কৰিছে বা ব্যৱহাৰ কৰাৰ কৰ্ত্তৃত্ব পাইছে, তেওলোকে তাক ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰাত বা গৰ্ভধাৰণৰ আগত বা পিছত লিংগ নিৰ্বাচনৰ কামত ব্যৱহাৰ নকৰে।

**(৪) জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, জেনেটিক ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক আৰু ইমাজিং কেন্দ্ৰৰ পঞ্জীয়ণ ঃ**

১) প্ৰকৃত প্ৰাধিকাৰীৰ ওচৰত, প্ৰতিলিপি সহ প্ৰ-পত্ৰ 'ক'ত পঞ্জীয়ণৰ বাবে আবেদন কৰিব লাগিব আৰু লগত নিম্নলিখিত চৰ্তসমূহ উল্লেখ কৰি এখন শপতনামা দিব লাগিব, যাতে --

---

৭) ধাৰা জি. এচ. আৰ ১০৯ (ই) ১৪-২-২০০৩ তাৰিখৰ (১৪-২-২০০৩ তাৰিখৰ পৰা অন্তভূৰ্ক্তি কৰা হৈছে।

৮) জি. এচ. আৰ. ১০৯ (ইং), তাৰিখ ১৪-২-২০০৩ ( ১৪-২-২০০৩ তাৰিখৰ পৰা) যোগে সাল-সলনি কৰা হৈছে।

বিতৰণ যোগান ধৰা অথবা যিকোনো ধৰণে সেই ঠাই সমূহক মেচিন বা সা-সঁজুলি ব্যৱহাৰ কৰিবলৈ কৰ্ত্তৃত্ব প্ৰদান কৰা যি কোনো জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, জেনেটিক পৰীক্ষাগাৰ, জেনেটিক ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক, ইমাজিং কেন্দ্ৰ নাইবা এই আইনৰ অধীনত পঞ্জীকৃত যিকোনো ব্যক্তিৰ পৰা এইবুলি শপতনামা গ্ৰহণ কৰিব যাতে সেই সমূহ মেচিন/সা-সঁজুলি উক্ত জেনেটিক পৰামৰ্শদাতা কেন্দ্ৰ, জেনেটিক পৰীক্ষাগাৰ, জেনেটিক ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক, ইমাজিং কেন্দ্ৰ বা এই আইনৰ অধীনত পঞ্জীকৃত কোনো ব্যক্তিয়েই যিয়ে উক্ত মেচিন/সা-সঁজুলি ক্ৰয় কৰিছে বা ব্যৱহাৰ কৰাৰ কৰ্ত্তৃত্ব পাইছে তেওঁলোকে তাক ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰাত বা গৰ্ভধাৰণৰ আগত বা পিছত লিংগ নিৰ্বাচনৰ কামত ব্যৱহাৰ নকৰে।

(ক) চৰ্ত থাকে যে সেই সমূহ জেনেটিক কেন্দ্ৰ / পৰীক্ষাগাৰ ক্লিনিক/ আল্ট্ৰাচাউণ্ড ক্লিনিক / ইমাজিং কেন্দ্ৰ বা উমৈহতীয়া কেন্দ্ৰই যি নামেৰে নহওক কিয় কোনো পৰীক্ষা বা পদ্ধতি অবলম্বন কৰিব নোৱাৰিব যাৰ দ্বাৰা গৰ্ভধাৰণৰ আগত নতুবা পিছত লিংগ নিৰ্দ্ধাৰিণ কৰা হয় বা ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰা হয়; যদিহে বিষয়টো ধাৰা ৪(২) ত উল্লেখ থকা বেমাৰবোৰৰ অব্যাহতি দিয়া নহয়, নাইবা কোনো লোকৰেই সন্মুখত জন্মৰ আগতীয়া ভ্ৰূণ লিংগ প্ৰকাশ নকৰিব; আৰু

(খ) চৰ্ত থাকে যে সেই সমূহ জেনেটিককেন্দ্ৰ/ পৰীক্ষাগাৰ/ক্লিনিক/ আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰ বা এইবোৰৰ উমৈহতীয়া কেন্দ্ৰই এখন জাননী ফলক আৰি থব যে তেওঁলোকে ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰিব পৰা বা গৰ্ভধাৰণৰ আগত বা পিছত লিংগ নিৰ্বাচন কৰিব পৰা কোনো ব্যৱস্থা, পৰীক্ষা বা প্ৰক্ৰিয়া আদি পৰিচালনা নকৰে।

(গ) জন্ম বিষয়ক কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক এই সম্পৰ্কত জৰিত সকলে যথানুসাৰে তেওঁলোকে গৰ্ভধাৰণৰ পূৰ্বে অথবা পিছত ভ্ৰূণৰ লিংগ নিৰূপণৰ কাৰণে অথবা বাছনিৰ কাৰণে যিয়েই নহওক, কোনো ব্যৱস্থা, পৰীক্ষা অথবা প্ৰক্ৰিয়া ইত্যাদি পৰিচালনা নকৰে বুলি সেই মৰ্মে চকুত লগাকৈ এক জাননী প্ৰদৰ্শন কৰিব লাগিব।

২) এই ক্ষেত্ৰত পঞ্জীকৰণৰ কাৰণে আবেদন প্ৰাপ্তি স্বীকাৰ কৰ্ত্তৃত্বপ্ৰাপ্ত প্ৰকৃত প্ৰাধিকাৰী অথবা তেওঁৰ কাৰ্যালয়ৰ কোনো ব্যক্তিয়ে প্ৰ-পত্ৰ ক ৰ তলত থকা প্ৰাপ্তি স্বীকাৰ পত্ৰত ততালিকে ইয়াক প্ৰকৃত প্ৰাধিকাৰীৰ কাৰ্যালয়ত দিব অথবা যদিহে ডাক যোগে পোৱা হৈছে তেনেহলে কাৰ্যালয়ৰ কৰ্ম দিনৰ পিছত নহয়।

**(৫) আবেদন মাচুল ঃ**

(১) বিধি ৪ ৰ অধীনত পঞ্জীয়ণৰ কাৰণে প্ৰত্যেক আবেদনৰ লগত আবেদন মাচুল

(ক) জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক অথবা ইমাজিং চেন্টাৰৰ কাৰণে ৩ হেজাৰ টকা (৩০০০.০০)

(খ) অনুষ্ঠান, হস্পিতাল, নাৰ্চিং হোম অথবা অন্য কোনো স্থানত থকা যুটীয়া সেৱাৰ জন্মবিষয়ক পৰামৰ্শ কেন্দ্ৰ, স্বাস্থ্যনুষ্ঠান আৰু ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক বা ইমাজিং চেন্টাৰ, ব্যৱস্থা আছে যে কোনো জন্মবিষয়ক ক্লিনিক/গৱেষণা গাৰ/চেন্টাৰ ইত্যাদিয়ে পঞ্জীকৰণৰ কাৰণে ৪ হেজাৰ (৪০০০.০০) টকা আবেদন মাচুল দিব লাগিব।

আবেদন এখন যদিহে প্ৰকৃত প্ৰাধিকাৰীয়ে অগ্ৰাহ্য কৰিছে, তেনেহলে অগ্ৰাহ্য কৰণৰ ৯০ দিনৰ ভিতৰত আবেদন কাৰীয়ে উক্ত অনুষ্ঠানৰ বাবে আবেদন পুনৰ দাখিল কৰণৰ বাবদ কোনো মাচুল দিয়াৰ প্ৰয়োজন নহ'ব।

**বিঃ দ্ৰঃ-** ৫ জুন ২০১২ ৰ সংশোধিত নিৰিখ অনুসৰি ৩০০০.০০ হ্ব ২৫০০০.০০ টকা আৰু ৪০০০.০০ হ্ব ৩৫০০০.০০ টকা।

(২) আবেদন মাচুল প্ৰকৃত প্ৰাধিকাৰীৰ হকে আহৰণ কৰিব পৰাকৈ ডিমাণ্ড ড্ৰাফট যোগে যিকোনো সূচীত বেংকত সংশ্লিষ্ট প্ৰকৃত প্ৰাধিকাৰী মুখ্য স্থানত ভঙাব পৰাকৈ দিব লাগিব। জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, গৱেষণাগাৰ, ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক আৰু ইমাজিং চেন্টাৰ বা যিকোনো প্ৰতিষ্ঠান নাইবা ব্যক্তিয়ে উপবিধি (১) ৰ অধীনত পঞ্জীয়ণৰ কাৰণে প্ৰকৃত প্ৰাধিকাৰীয়ে সংগ্ৰহ কৰা মাচুলখিনি সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ দ্বাৰা সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ চৰকাৰী পদমৰ্যদাৰ নামত খোলা বেংক একাউন্টত জমা দিব লাগিব আৰু প্ৰকৃত প্ৰাধিকাৰীয়ে আইন আৰু নিয়মাৱলীৰ অধীনত থকা ব্যৱস্থাৱলীৰ প্ৰয়োগৰ সংক্ৰান্তত ব্যৱহাৰ কৰিব।

(৬) **পঞ্জীয়ণৰ প্ৰমাণ পত্ৰ ঃ**

(১) প্ৰকৃত প্ৰাধিকাৰীয়ে তদন্ত কৰাৰ পিছত আৰু আবেদন কাৰীয়ে সকলো প্ৰয়োজনীয়তা খিনি পালন কৰিছে বুলি নিজকে সন্তোষিত হোৱাৰ পিচত পৰামৰ্শদাতা সমিতিৰ পৰামৰ্শৰ বাবে আবেদনখন পৰামৰ্শদাতা সমিতিৰ আগত উত্থাপন কৰিব।

(২) পৰামৰ্শদাতা সমিতিৰ পৰামৰ্শ অনুসৰি প্ৰকৃত প্ৰাধিকাৰীজনে পঞ্জীকৰণৰ প্ৰমাণপত্ৰ প্ৰ-পত্ৰ -(খ) ত দুটা প্ৰতিলিপি আবেদনকাৰীলৈ মঞ্জুৰ কৰিব। পঞ্জীকৰণৰ প্ৰমাণ পত্ৰখনৰ এটা প্ৰতিলিপি পঞ্জীয়ণভূক্ত জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ অথবা ক্লিনিকে তেওলোকৰ ব্যৱসায়ীক স্থানত চকুত পৰাকৈ প্ৰদৰ্শন কৰিব লাগিব;

উল্লেখ থাকে যে প্ৰকৃত প্ৰাধিকাৰীয়ে জন্মবিষয়ক গৱেষণাগাৰ অথবা ক্লিনিক এক বা ততোধিক নিৰ্দিষ্ট কৰা জন্মৰ আগতীয়া নিৰুপন পৰীক্ষা অথবা পদ্ধতি পৰিচালনা কৰিবলৈ স্থান, সা-সঁজুলি আৰু অৰ্হতা সম্পন্ন কৰ্মচাৰীবৃন্দৰ ওপৰত নিৰ্ভৰ কৰি আৰু এনে গৱেষণাগাৰ অথবা ক্লিনিকৰ দ্বাৰা পৰিচালনা কৰা উন্নতমান অনুসৰি এখন পঞ্জীকৰণৰ প্ৰমাণ পত্ৰ মঞ্জুৰ কৰিব পাৰিব।

(৩) তদন্তৰ পিছত আৰু আবেদনকাৰীক বিবেচনা কৰি সুবিধা দিয়াৰ পিছত আৰু পৰামৰ্শদাতা সমিতিৰ পৰামৰ্শ থকা মৰ্মে যদিহে প্ৰকৃত প্ৰাধিকাৰীয়ে আবেদনকাৰীয়ে আইনগত আৰু নিয়মাৱলীসমূহৰ প্ৰয়োজনীয়তাখিনি সংগ্ৰহ কৰা নাই বুলি সন্তোষিত তেনেহলে পঞ্জীকৰণৰ কাৰণে আবেদন অগ্ৰাহ্য কৰাৰ কাৰণ সমূহ লিখিতভাবে ৰাখিব লাগিব আৰু এনে অগ্ৰাহ্য প্ৰ-পত্ৰ "গ" ত নিৰ্দিষ্ট কৰা অনুসৰি আবেদন কাৰীলৈ যোগাযোগ কৰিব।

(৪) প্ৰকৃত প্ৰাধিকাৰীৰ দ্বাৰা আবেদনকাৰীলৈ যথোপযুক্ত জাননী দিয়াৰ পিছত কেৱল জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ অথবা ক্লিনিকৰ চৌহদ পৰিদৰ্শন কৰাকে ধৰি উপবিধি (১) মৰ্মে এক তদন্ত কৰিব লাগিব।

(৫) পঞ্জীকৰণ প্ৰমাণ পত্ৰৰ মঞ্জুৰ অথবা পঞ্জীকৰণৰ আবেদন নামঞ্জুৰৰ কাৰণে নিৰ্দিষ্ট কৰা প্ৰ-পত্ৰ “খ” অথবা প্ৰ-পত্ৰ “গ” ত যথানুসাৰে আবেদনকাৰীলৈ পঞ্জীকৰণৰ কাৰণে আবেদন পোৱা তাৰিখৰ পৰা ৯০ দিনৰ ভিতৰত যোগাযোগ কৰিব লাগিব।

(৬) পঞ্জীয়ণকৰণ প্ৰমাণ পত্ৰখন অহস্তান্তৰ যোগ্য, মালিকীস্বত্ব পৰিৱৰ্ত্তন বা পৰিচালনা পৰিৱৰ্ত্তন অথবা জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ অথবা ক্লিনিক হিচাবে কাম কৰিবলৈ এৰা ক্ষেত্ৰত পঞ্জীকৰণৰ প্ৰমাণপত্ৰৰ উভয় প্ৰতিলিপি প্ৰকৃত প্ৰাধিকাৰীক সমৰ্পন কৰিব লাগিব।

(৭) মালিকী স্বত্বৰ সলনি অথবা জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ নাইবা ক্লিনিকৰ পৰিচালনাৰ পৰিৱৰ্ত্তনৰ ক্ষেত্ৰত এনে কেন্দ্ৰ, গৱেষণাগাৰ অথবা ক্লিনিকৰ নতুন মালিকে অথবা পৰিচালকে পঞ্জীকৰণৰ প্ৰমাণপত্ৰ মঞ্জুৰৰ কাৰণে নতুনকৈ আবেদন কৰিব লাগিব।

৭) **পঞ্জীকৰণৰ বৈধতা ঃ**

প্ৰত্যেক পঞ্জীকৰণৰ প্ৰমাণ পত্ৰ ইয়াক প্ৰদান কৰা তাৰিখৰ পৰা ৫ বছৰ সময়ৰ কাৰণে বৈধ হ'ব।

৮) **পঞ্জীয়ণৰ নবীকৰণ ঃ**

(১) পঞ্জীকৰণৰ প্ৰমাণ পত্ৰ নবীকৰণৰ কাৰণে এখন আবেদন প্ৰ-পত্ৰ - ক ত দ্বৈতভাবে প্ৰকৃত প্ৰাধিকাৰীলৈ পঞ্জীকৰণ প্ৰমাণ পত্ৰখনৰ ম্যাদ উকলি যোৱা তাৰিখৰ ৩০ দিনৰ পূৰ্বে দাখিল কৰিব লাগিব। এনে আবেদনৰ প্ৰাপ্তি স্বীকাৰ প্ৰকৃত প্ৰাধিকাৰীজনে বিধি ৪ ৰ উপৰিধি (২) ত নিৰ্দিষ্ট কৰা ধৰণে দিব।

(২) প্ৰকৃত প্ৰাধিকাৰীজনে তদন্ত কৰাৰ পিছত আৰু আবেদনকাৰীয়ে আইন আৰু নিয়মাৱলীৰ অনুসৰি প্ৰয়োজনীয় সকলো তথ্য সংগ্ৰহ কৰিছে বুলি সন্তোষিত হোৱাৰ পিছত আৰু ইয়াৰ হকে পৰামৰ্শদাতা সমিতিয়ে পৰামৰ্শ দিয়া মৰ্মে নিৰ্দিষ্ট কৰা প্ৰ-পত্ৰ “খ” ত পূৰ্বে মঞ্জুৰ কৰা পঞ্জীকৰণৰ প্ৰমাণপত্ৰ খনৰ ম্যাদ উকলি যোৱা তাৰিখৰ পৰা ৫ বছৰ সময়ৰ কাৰণে নবীকৰণ কৰিব।

(৩) তদন্তৰ পিছত আৰু আবেদনকাৰীৰ প্ৰতি বিবেচনা কৰি সুবিধা দিয়াৰ পিছত আৰু পৰামৰ্শদাতা সমিতিৰ পৰামৰ্শ অনুসৰি যদিহে প্ৰকৃত প্ৰাধিকাৰীয়ে আইন আৰু নিয়মাৱলীৰ প্ৰয়োজনীয়তাখিনি আবেদনকাৰীয়ে সংগ্ৰহ কৰা নাই বুলি সন্তোষিত হয়, তেনেহলে পঞ্জীকৰণৰ প্ৰমাণ পত্ৰ নবীকৰণৰ আবেদনখন নাকচ কৰা কাৰণ লিপিবদ্ধ কৰিব লাগিব আৰু এনে নাকচ কৰণ প্ৰ-পত্ৰ গ ত নিৰ্দিষ্ট কৰা অনুযায়ী আবেদনকাৰীলৈ যোগাযোগ কৰিব লাগিব।

(৪) পঞ্জীয়ণৰ প্ৰমাণ পত্ৰ নবীকৰণৰ কাৰণে দিব লগীয়া মাচুল বিধি ৫ ৰ উপবিধি

(১) ত থকা ব্যৱস্থা অনুসৰি মাচুল অৰ্ধেক হ'ব।

(৫) পঞ্জীয়ণৰ নবীকৰণৰ প্ৰমাণ পত্ৰ দ্বৈতভাবে প্ৰাপ্তিত অথবা যোগাযোগ পত্ৰ প্ৰাপ্তিত নাইবা নবীকৰণৰ নাকচ কৰণ আবেদন পত্ৰ প্ৰাপ্তিত পূৰ্বৰ প্ৰমাণ পত্ৰ অথবা পঞ্জীয়ণ পত্ৰ উভয়ৰে প্ৰতিলিপি তৎকালে জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ বা ক্লিনিকৰ দ্বাৰা প্ৰকৃত প্ৰাধিকাৰী সমৰ্পন কৰিব লাগিব।

(৬) প্ৰকৃত প্ৰাধিকাৰীয়ে পঞ্জীয়ণৰ প্ৰমাণ পত্ৰ নবীকৰণ কৰিবলৈ অপাৰগ হোৱাৰ ক্ষেত্ৰত অথবা পঞ্জীয়ণৰ নবীকৰণৰ কাৰণে আবেদন প্ৰাপ্তি তাৰিখৰ পৰা ৯০ দিনৰ ভিতৰত পঞ্জীয়ণৰ নবীকৰণৰ আবেদন নাকচ কৰণৰ যোগাযোগৰ ক্ষেত্ৰত অপাৰগ হলে পঞ্জীয়ণৰ প্ৰমাণপত্ৰখন নবীকৰণ কৰা হোৱা বুলি গণ্য কৰা হ'ব।

৯) **তথ্য পাতিৰ পৰিচালনা আৰু সংৰক্ষণ ঃ**

(১) প্ৰত্যেক জন্মবিষয়ক পৰামৰ্শ দাতা কেন্দ্ৰ, পৰীক্ষাগাৰ ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক আৰু ইমাজিং কেন্দ্ৰসমূহে জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া অথবা পৰীক্ষা প্ৰদান কৰা পুৰুষ অথবা মহিলাৰ তেওলোকৰ পতি-পত্নীৰ নাম বা পিতৃৰ নাম দিব আৰু তেওঁলোকে প্ৰথমতে এনে পৰামৰ্শ প্ৰক্ৰিয়া অথবা পৰীক্ষাৰ কাৰণে প্ৰথমে কোন তাৰিখত যোগাযোগ কৰিছিল ক্ৰমানুসাৰে দেখুৱাই তেওঁলোকৰ নাম আৰু ঠিকনাৰ এখন বহী পৰিচালনা কৰিব লাগিব।

(২) পৰামৰ্শ প্ৰদান কৰা প্ৰত্যেক মহিলাৰ ক্ষেত্ৰত পৰিচালনা কৰিব লগীয়া তথ্যপাতি প্ৰত্যেক জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰই প্ৰ-পত্ৰ ঘ ত নিৰ্দিষ্ট কৰা মৰ্মে কৰিব লাগিব।

(৩) প্ৰত্যেকজন পুৰুষ বা মহিলাৰ ক্ষেত্ৰত জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া/ব্যৱস্থা পৰীক্ষাৰ যিকোনো চৰ্ত অনুসৰি প্ৰত্যেক জন্মবিষয়ক গৱেষণাগাৰৰ দ্বাৰা পৰিচালনা কৰিব লগীয়া তথ্য পাতি প্ৰ-পত্ৰ "ঙ" ত নিৰ্দিষ্ট কৰা অনুসৰি কৰিব লাগিব।

(৪) প্ৰত্যেক পুৰুষ বা মহিলাৰ ক্ষেত্ৰত জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া /ব্যৱস্থা পৰীক্ষাৰ চৰ্ত অনুসৰি প্ৰতি জন্মবিষয়ক পৰীক্ষাগাৰৰ দ্বাৰা পৰিচালনা কৰিব লাগিব। তথ্য-পাতি প্ৰ-পত্ৰ "চ" ত নিৰ্দিষ্ট কৰা অনুসৰি কৰিব লাগিব।

(৫) প্ৰকৃত প্ৰাধিকাৰীয়ে আবেদন মঞ্জুৰ কৰাৰ কাৰণে অথবা পঞ্জীয়ণৰ প্ৰমাণ পত্ৰ নবীকৰণৰ কাৰণে স্থায়ী লেখ্য প্ৰ-পত্ৰ "জ" ত নিৰ্দিষ্ট কৰা অনুসৰি পৰিচালনা কৰিব লাগিব। কৰ্মচাৰী, স্থান, ঠিকনা আৰু সাঁ-সজুলি স্থাপনৰ প্ৰত্যেক সাল-সলনিৰ অবগতিৰ পত্ৰসমূহৰ স্থায়ী লেখ্যও সংৰক্ষিত কৰিব লাগিব।

(৬) জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, অথবা ক্লিনিকৰ দ্বাৰা তথ্যপাতি সন্মতিৰ প্ৰ-পত্ৰ, পৰীক্ষাগাৰৰ ফলাফল, মাইক্ৰস্ক'পিক ছবি, চন'গ্ৰাফী প্লেট অথবা সম্পৰ্কিত সকলো বিষয়ৰ চুপাৰিশ আৰু পত্ৰ সমূহ সংৰক্ষিত কৰিব লাগিব, জন্মৰ আগতীয়া চিনাক্ত কৰণ প্ৰক্ৰিয়া অথবা পৰীক্ষা যথানুসাৰে সম্পন্ন কৰা তাৰিখৰ পৰা ২ বছৰ কালৰ বাবে যি কোনো ন্যায়িক ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত তথ্যপাতি সমূহ ন্যায়িক ব্যৱস্থাৰ চূড়ান্ত নিষ্পত্তি নোহোৱা পৰ্যন্ত অথবা উপৰিউক্ত ২ বছৰ ম্যাদ উকলি নোযোৱা পৰ্যন্ত সেই সময়লৈকে সংৰক্ষণ কৰি ৰাখিব লাগিব।

(৭) কম্পিউটাৰ অথবা অন্য বৈদ্যুতিক যন্ত্ৰত তথ্যপাতি পৰিচালনা লকৰা জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ অথবা ক্লিনিকৰ পৰীক্ষাগাৰৰ ক্ষেত্ৰত তথ্য-পাতিৰ এক ছপা

প্ৰতিলিপি লব লাগিব আৰু এনে তথ্য পাতিৰ কাৰণে দায়িত্বশীল ব্যক্তিৰ দ্বাৰা সত্যাসত্য নিৰূপন কৰাৰ পিছত সংৰক্ষণ কৰিব লাগিব।

(৮) প্ৰত্যেক জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক আৰু ইমাজিং কেন্দ্ৰ সমূহে তেওঁ লোকৰ দ্বাৰা পৰিচালনা কৰা আগতীয়া গৰ্ভধাৰণ অথবা গৰ্ভৱতী সম্পৰ্কীয় তেওঁলোকে পৰিচালনা কৰা পদ্ধতি/ ব্যৱস্থা /পৰীক্ষাৰ এক সম্পূৰ্ণ প্ৰতিবেদন প্ৰত্যেক মাহৰ ক্ষেত্ৰত পৰৱৰ্ত্তী মাহৰ ৫ তাৰিখে সংশ্লিষ্ট প্ৰকৃত কৰ্ত্তৃপক্ষলৈ প্ৰেৰণ কৰিব লাগিব।

**১০) জন্মৰ আগতীয়া চিনাক্তকৰণৰ প্ৰক্ৰিয়াসমূহৰ চৰ্ত -**

১) জন্মৰ চিনাক্তকৰণ প্ৰক্ৰিয়া প্ৰাথমিক যন্ত্ৰ প্ৰয়োগ পৰিচালনাৰ পূৰ্বে অথবা যিকোনো জন্মৰ আগতীয়া চিনাক্তকৰণ পদ্ধতি/পৰীক্ষা/প্ৰক্ৰিয়া, যেনে অমনিও চেনটেচিচ, কৰিঅ'নি ভিলি বায়পচি, ফয়টাচকপি, ফটেলস্কিন বা অৰগেন বায়পচি নাইবা কৰ্ডচেনটেচিচৰ পূৰ্বে তেনে প্ৰক্ৰিয়া সম্পন্ন কৰিব বিচৰা ব্যক্তিৰ, তেখেত বা মহিলা গৰাকীৰ পৰা বুজিব পৰা ভাষাত প্ৰ-পত্ৰ "ছ" ত নিৰ্দিষ্ট কৰা অনুসৰি এক লিখিত সন্মতি লব লাগিব।

(ক) গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰত আল্ট্ৰাচন'গ্ৰাফী /ইমেজিং স্কেনিং পৰিচালনা কৰা যিকোনো ব্যক্তিয়ে আল্ট্ৰাচন'গ্ৰাফী/ইমেজ স্কেনিংৰ সন্দৰ্ভত প্ৰত্যেক প্ৰতিবেদনত তেওঁ বা তেখেতে গৰ্ভৱতী মহিলাৰ ভ্ৰূণৰ লিংগৰ বিষয়ে নিৰূপন কৰা হোৱা নাই বা কোনো ব্যক্তিক প্ৰকাশ কৰা হোৱা নাই বুলি এক ঘোষণা পত্ৰ প্ৰদান কৰিব লাগিব। গৰ্ভৱতী মহিলাগৰাকীয়ে আল্ট্ৰাচ'নগ্ৰাফী/ইমেজস্কেনিং সম্পন্ন কৰিবলৈ যোৱাৰ পূৰ্বে মহিলা গৰাকীৰ ভ্ৰণৰ লিংগ জনাৰ কাৰণে কৰা হোৱা নাই বুলি ঘোষণা কৰিব লাগিব।

২) সকলো ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহে ৰাজ্যখনত অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত ব্যৱহাৰ কৰা ভাষাত প্ৰ-পত্ৰ "ছ" অনুবাদ কৰি বিতৰণ কৰিব লাগিব আৰু যি ঠাইত গৰ্ভৱতী মহিলা গৰাকীয়ে বুজি পোৱা ভাষাত চৰকাৰী অনুবাদ নাথাকে তেনেহলে জন্মবিষয়ক ক্লিনিকে প্ৰ-পত্ৰ "ছ" ত মহিলাগৰাকীয়ে বুজি পোৱা ভাষাত অনুবাদ কৰিব লাগিব।

**১১) পৰিদৰ্শনৰ সুবিধা—**

(১) প্ৰত্যেক জন্ম বিষয়ক ক্লিনিক, পৰীক্ষাগাৰ, ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক, ইমাজিং চেন্টাৰ, নাৰ্চিং হোম, হস্পিতাল, প্ৰতিষ্ঠান বা কোনো প্ৰক্ৰিয়া, ব্যৱস্থা সম্পন্ন কৰিবলৈ সুবিধা থকা মেচিন বা সা-সঁজুলি বা জন্মৰ আগতীয়া লিংগ নিৰূপণৰ পৰীক্ষা কৰিব পৰা বা গৰ্ভধাৰণৰ পূৰ্বে বা পিছত বাচনি কৰিবলৈ ব্যৱহৃত মেচিন বা সা-সঁজুলি যথোপযুক্তভাবে স্থান সা-সজুঁলি বা তথ্য পাতিৰ পৰিদৰ্শনৰ বাবে প্ৰকৃত প্ৰাধিকাৰী বা ইয়াৰ হকে কৰ্ত্তৃত্ব প্ৰদান কৰা অন্য কোনো ব্যক্তিৰ এনে প্ৰতিষ্ঠান সমূহে এই আইনৰ অধীনত যি নামেৰে নহওক কিয় পঞ্জীয়ণ কৰাৰ কাৰণে বা এনে সুবিধা বা এই সম্পৰ্কৰ বা গৰ্ভধাৰণৰ পূৰ্বে বা পিছত লিংগ নিৰ্ণয় ভ্ৰূণৰ লিংগ চিনাক্তকৰণ কৰা /প্ৰকাশ কৰা বা আইনৰ ব্যৱস্থাৱলী যিকোনো অপব্যৱহাৰে ভংগ কৰা বিষয় অন্তৰ্ভূক্তি ধৰা পেলাবলৈ সক্ষম কৰা ।

(২) প্ৰকৃত প্ৰাধিকাৰীয়ে নাইবা ইয়াৰ হকে কৰ্তৃত্ব প্ৰাপ্ত বিষয়াজনে কোনো সংস্থাৰ দ্বাৰা ভ্ৰূণৰ লিংগ বাছনি কৰিবলৈ সক্ষম থকা ব্যৱহাৰ কৰা কোনো আল্ট্ৰাচাউণ্ড মেচিন, স্কেনাৰ অথবা অন্য কোনো সা-সঁজুলি ছীল আৰু জব্দ কৰিব পাৰিব যদিহে সংস্থাটোৱে এই আইনৰ অধীনত পঞ্জীয়ণ কৰা নাই। এনে সংস্থা সমূহৰ মেচিনবোৰ বাজেয়াপ্ত কৰা হ'ব আৰু আগলৈ আইনখনৰ ধাৰা ২৩ ৰ ব্যৱস্থা অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১২) তালাচি আৰু জব্দ প্ৰক্ৰিয়া ঃ

(১) প্ৰকৃত প্ৰাধিকাৰী বা ইয়াৰ হকে কৰ্তৃত্বপ্ৰাপ্ত কোনো বিষয়াই কোনো জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক, ইমাজিং ক্লিনিক অথবা আল্ট্ৰাচাউণ্ড ক্লিনিকত দুই বা ততোধিক স্বতন্ত্ৰ সাক্ষীৰ উপস্থিতিত পুস্তিকা বিজ্ঞাপন নাইবা তাত দেখা যিকোনো আপত্তি জনক সামগ্ৰীৰ বিষয়ে যিকোনো সময়ত প্ৰৱেশ আৰু অনুসন্ধান কৰিব পাৰে আৰু এইবোৰ আইনখনৰ অধীনত অপৰাধ সংঘটিত কৰা সপক্ষে সাক্ষ্য প্ৰমাণ হব বুলি বিশ্বাস কৰাৰ উপযুক্ত কাৰণ থাকিলে ছীল আৰু জব্দ কৰিব পাৰে।

ব্যাখ্যা ঃ এই নিয়মাৱলীৰ

১) "জন্মবিষয়ক পৰীক্ষাগাৰ / ক্লিনিক / পৰামৰ্শদাতা কেন্দ্ৰই" আল্ট্ৰাচাউণ্ড কেন্দ্ৰ/ইমাজিং চেণ্টাৰ/ নাৰ্চিং হোম/হস্পিতাল/প্ৰতিষ্ঠান বা অন্য যিকোনো স্থান, যি নামেই কোৱা নহওক কিয়, য'ত গৰ্ভধাৰণৰ পূৰ্বে অথবা পিছত লিংগ নিৰ্ণয়ৰ সামৰ্থ কোনো মেচিন বা কোনো সা-সজুঁলি নাইবা জন্মৰ পূৰ্বে ভ্ৰূণৰ লিংগ নিৰ্ণয়ৰ সমাপন কৰা যিকোনো ব্যৱস্থা অথবা পৰীক্ষা ব্যৱস্থাৰ কৰা হয় তাত অন্তভূৰ্ক্ত কৰিব।

২) "বিষয় বস্তুৰ সামগ্ৰী" - যেনে তথ্য-পাতি মেচিন আৰু সা-সঁজুলি সমূহ অন্তৰ্ভূক্ত কৰিব; আৰু

৩) "জব্দ" আৰু "জব্দ কৰণ" য়ে "ছীল" আৰু "জব্দকাৰ্য্য অন্তৰ্ভূক্ত কৰিব।

(২) দলিল, তথ্যপাতি, পঞ্জীয়ণ বহী, বহী, পুস্তিকা, বিজ্ঞাপন অথবা জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ বা ক্লিনিকত পৰিলক্ষিত আপত্তিজনক আৰু জব্দকৃত স্থানত যি কোনো সামগ্ৰীৰ এখন তালিকা দ্বৈত্যভাবে প্ৰস্তুত কৰিব লাগিব। এনে তালিকাৰ উভয় প্ৰতিলিপিৰ প্ৰত্যেক পৃষ্ঠাত প্ৰকৃত প্ৰাধিকাৰী অথবা ইয়াৰ হকে কৰ্তৃত্ব প্ৰাপ্ত বিষয়া জনে আৰু জব্দ নামাৰ সাক্ষীয়ে স্বাক্ষৰ কৰিব লাগিব।

চৰ্ত থাকে যে তালিকাখন জব্দ কৰা স্থানৰ বাহিৰে সাক্ষীৰ উপস্থিতিত প্ৰস্তুত কৰিব লাগিব যদিহে জব্দ কৰা স্থানত লিপিবদ্ধ কৰিব লগীয়া কাৰণ সমূহ লিখিতভাবে তালিকাখন প্ৰস্তুত কৰিব পৰা নাযায়।

(৩) উপধাৰা (২) ত উল্লেখ কৰা তালিকা খনৰ এটা প্ৰতিলিপি ব্যক্তিজনলৈ যিজন ব্যক্তিৰ জিম্মাৰ পৰা দলিল, তথ্য পাতি পঞ্জীয়ণবহী, পুস্তিকা, বিজ্ঞাপন অথবা জব্দ কৰা আপত্তি জনক যি কোনো সামগ্ৰী প্ৰাপ্তি স্বীকাৰ মৰ্মে দিব লাগিব।

---

১০। জি. এচ. আৰ. ১০৯ (ইং) তাৰিখ ১৪-২-২০০৩ (১৪-২-২০০৩) তাৰিখৰ পৰা) যোগে সলনি কৰা হৈছে।

১১। জিএচআৰ ১০৯ (ইং তাৰিখ ১৪-২-২০০৩ (১৪-২-২০০৩) তাৰিখৰ পৰা) যোগে অন্তৰ্ভূক্ত কৰা হৈছে।

১২। জি এচ আৰ ১০৯ (ইং তাৰিখ ১৪-২-২০০৩ (১৪-২-২০০৩) তাৰিখৰ পৰা) যোগে সলনি কৰা হৈছে।

১২। (ক ) জি এচ আৰ ৪২৬ (ইং) তাৰিখ ৩১-৫-২০১১ (৩১-৫-২০১১ তাৰিখৰ পৰা যোগে সলনি কৰা হৈছে।

(৪) চৰ্ত্ত থাকে যে যদিহে জব্দ কৰা আপত্তিজনক কোনো সামগ্ৰী প্ৰকৃততে নষ্ট যোগ্য তেনেহলে প্ৰকৃত প্ৰাধিকাৰী অথবা ইয়াৰ হকে কৰ্তৃত্ব প্ৰাপ্ত বিষয়াজনে সামগ্ৰিখিনি ছীল, চিনাক্তকৰণ আৰু সংৰক্ষণৰ কাৰণে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আকৌ এই বিষয়ে যদিহে বিশ্লেষণ অথবা পৰীক্ষাৰ প্ৰয়োজন হয় তেনেহলে বিশ্লেষণ আৰু পৰীক্ষাৰ কাৰণে যোগাযোগ কৰিব লাগিব।

চৰ্ত থাকে যে জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ বা ক্লিনিক আপত্তিজনক নষ্টযোগ্য সামগ্ৰী সংৰক্ষণৰ কাৰণে ব্যৱহাৰ কৰা শীতলযন্ত্ৰ অথবা অন্য সা-সঁজুলি বা আপত্তিজনক সামগ্ৰী নষ্ট নোহোৱাকৈ নিৰাপদে ৰাখিব পৰা সময় পৰ্যন্ত ব্যৱস্থা কৰিব লাগিব আৰু অৱশেষত জব্দ কৰা তালিকাখনত আপত্তিজনক সামগ্ৰী সমূহ ৰখাৰ উল্লেখ জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিকৰ চৌহদতে প্ৰস্তুত কৰিব লাগিব।

(৫) অনুসন্ধান আৰু জব্দ কৰণ কাৰ্য অসুম্পূৰ্ণতাৰ ক্ষেত্ৰত প্ৰকৃত প্ৰাধিকাৰীজনে বা ইয়াৰ হকে কৰ্ত্তৃত্ব প্ৰাপ্ত বিষয়াজনে জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ অথবা ক্লিনিকৰ চৌহদত প্ৰস্তুত কৰা তালিকা আৰু আঁতৰ কৰা তথ্যপাতি, লেখ্য কিতাপ বা ক্ৰোক কৰিব লগীয়া আপত্তিজনক যিকোনো সামগ্ৰীৰ আৰু নষ্ট হ'ব পৰা এনেকুৱা দলিল, তথ্যপাতি, পুস্তিকা অথবা আপত্তিজনক অন্য সামগ্ৰীৰ সু-ৰক্ষাৰ কাৰণে বেৰ আৰু ছীল কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

১৩। **কৰ্মচাৰীবৃন্দ, স্থান অথবা সা সঁজুলিৰ সাল সলনিৰ অৱগতি ঃ**
প্ৰত্যেক জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ বা ক্লিনিকে ইয়াৰ কৰ্মচাৰী বৃন্দ, স্থান, ঠিকনাৰ সালসলনি আৰু সা-সঁজুলি স্থাপনৰ প্ৰকৃত প্ৰাধিকাৰীজনক এনে সালসলনি ৩০ দিনৰ ভিতৰত অৱগত কৰিব লাগিব।

১৪। **বিশ্লেষণ বা পৰীক্ষা আৰু জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়াৰ চৰ্তাৱলী ঃ**
(১) কোনো জন্ম বিষয়ক পৰীক্ষাগাৰে বিশ্লেষণ তথা পৰীক্ষাৰ কাৰণে কোনো নমূনা গ্ৰহণ কৰিব নোৱাৰিব যদিহে ইয়াক জন্মবিষয়ক ক্লিনিকৰ দ্বাৰা চুপাৰিশ কৰা নহয়।
(২) প্ৰত্যেক জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া দৰাচলতে সংস্থাপিত ভ্ৰূণ আৰু ফুলৰ আল্ট্ৰাচন'গ্ৰাফীৰ পৰ্য্যবেক্ষনৰ জৰিয়তে কাৰ্য ব্যৱস্থা লব লাগিব আৰু জন্মৰ আগতীয়া নিৰূপণ প্ৰক্ৰিয়া পোনপেটীয়া আল্ট্ৰাচন'গ্ৰাফীৰ পৰ্য্যবেক্ষণৰ জৰিয়তে সম্পন্ন কৰিব লাগিব যাতে ভ্ৰূণ আৰু ফুলৰ যিকোনো নষ্ট প্ৰতিৰোধ কৰিব পৰা যায়।

১৫। **পৰামৰ্শদাতা সমিতিৰ বৈঠক ঃ**
ধাৰা ১৭ ৰ উপধাৰা (৫) ৰ অধীনত গঠিত পৰামৰ্শদাতা সমিতিৰ যিকোনো দুখন বৈঠকৰ মাজৰ বিৰতিৰ সময় প্ৰকৃত কৰ্ত্তৃপক্ষক পৰামৰ্শ দিবলৈ ৬০ দিনৰ অত্যাধিক নহ'ব।

১৬। **কেন্দ্ৰীয় পৰ্যবেক্ষন বৰ্ডৰ সদস্য সকলৰ ভাট্টা ঃ**
(১) পদেন সদস্য, কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ বৰ্ডৰ দ্বাৰা নিযুক্তি দিয়া অন্য বিষয়া সকল বৰ্ডৰ বৈঠকত উপস্থিত হোৱাৰ কাৰণে ভ্ৰমণ ভাট্টা বিধি অনুযায়ী প্ৰযোজ্য বা যোগ্য হ'ব।

(২) বৰ্ডলৈ নিযুক্তি দিয়া বে-চৰকাৰী সদস্য সকল, নিৰ্বাচিত সংসদৰ সদস্য সকল বৰ্ডৰ বৈঠকত উপস্থিত হোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ভ্ৰমন ভাট্টা বিধি অনুযায়ী ভ্ৰমন বানচ আৰু দৈনিক ভাট্টাৰ যোগ্য হ'ব।

১৭। **ৰাজহুৱা সূচনা ঃ**

(১) প্রত্যেক জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক আৰু ইমাজিং কেন্দ্ৰ সমূহে ইয়াৰ চৌহদত এখন চকুত পৰাকৈ জাননী ইংৰাজী আৰু স্থানীয় ভাষাত অথবা ভাষা সমূহত ৰাইজৰ অবগতিৰ কাৰণে আইনমতে ভ্ৰূণৰ লিংগ প্ৰকাশ কৰাটো নিষেধ বুলি প্ৰদৰ্শন কৰিব লাগিব।

(২) প্ৰতিখন জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক আল্ট্ৰাচাউণ্ড ক্লিনিক আৰু ইমাজিং কেন্দ্ৰ সমূহৰ চৌহদত আইন আৰু বিধি সমূহৰ প্ৰত্যেককে অতিকমেও এটা প্ৰতিলিপি ৰাখিব লাগিব আৰু গ্ৰাহকৰ দাবীত পঢ়াৰ কাৰণে দিব লাগিব।

(৩) প্ৰকৃত প্ৰাধিকাৰী, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ/প্ৰশাসনে জন্মবিষয়ক পৰামৰ্শ দাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক আৰু ইমাজিং চেন্টাৰ সমূহৰ পঞ্জীয়ণভূক্ত তালিকা সময়ে সময়ে প্ৰকাশ কৰিব পাৰিব আৰু সেইবোৰৰ পৰা প্ৰতিবেদন তেওঁলোকৰ অধীনত থকা অন্যান্য সংবাদ ৰাইজৰ অবগতিৰ কাৰণে আৰু ক্ষেত্ৰকাৰ্যত বিশেষজ্ঞ সকলৰ ব্যৱহাৰৰ কাৰণে বিচাৰিব পাৰিব।

১৮। জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক, ইমাজিং কেন্দ্ৰ সমূহ ইত্যাদিত কাম কৰা ব্যক্তি সকলে পৰিচালনাৰ আচৰণবিধি পালন কৰিব লাগিব।

মালিক, কৰ্মচাৰীকে ধৰি সকলো ব্যক্তিয়ে অথবা এই আইনৰ/নিয়মাৱলীৰ অধীনত পঞ্জীয়ণভূক্ত কৰা জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ, পৰীক্ষাগাৰ, ক্লিনিক, আল্ট্ৰাচাউণ্ড ক্লিনিক ইমাজিং চেন্টাৰ সমূহত জৰিত অন্য ব্যক্তি সকলে--

(১) যি কোনো প্ৰকাৰে ভ্ৰূণৰ লিংগ পৰিচালনাত জৰিত অথবা নিৰূপন নাইবা জাহিৰ কৰাত সহায় নকৰিব।

(২) জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা, প্ৰক্ৰিয়া, কৌশল আৰু পৰীক্ষা আল্ট্ৰাচ'নগ্ৰাফীকে ধৰি পালন কৰাৰ কাৰণে প্ৰয়োজনীয় অৰ্হতা নথকা কোনো ব্যক্তিক নিযুক্তি দিয়া অথবা নিযুক্তি দিয়াৰ কাৰণ থাকিব নোৱাৰে।

(৩) আইনৰ ধাৰা ৪ ৰ উপধাৰা ২ ত নিৰ্দিষ্ট কৰা উদেশ্যৰ ব্যতিৰেকে গৰ্ভধাৰণৰ পূৰ্বত বা পিছত লিংগ নিৰ্ণয়ৰ কোনো কৌশল অথবা প্ৰক্ৰিয়া বা ভ্ৰণৰ লিংগ নিৰূপণৰ কাৰণে তেওঁ নিজকে সহায় কৰা বা কোনো ব্যক্তিৰ দ্বাৰা পৰিচালনা কৰা অথবা পৰিচালনা কৰাৰ কাৰণ থাকিব নোৱাৰে।

(৪) আইন /নিয়মাৱলীৰ অধীনত পঞ্জীয়ণ কৰা স্থানৰ বাহিৰে আইন পঞ্জীয়ণ স্থানত তেওঁ নিজকে বা আন কোনো ব্যক্তিৰ দ্বাৰা কোনো কৌশল, পৰীক্ষা অথবা প্ৰক্ৰিয়া পৰিচালনা বা পৰিচালনা কৰাৰ কাৰণ নাইবা সহায় কাৰ্য কৰিব নোৱাৰিব,

(৫) এই ক্ষেত্ৰত যি কোনো প্ৰকাৰে আইন আৰু নিয়মাৱলীৰ ব্যৱস্থা ভংগ কৰা হোৱা নাই বুলি নিশ্চিত কৰিব।

---

১৩। জি এচ আৰ ১০৯ (ইং) তাৰিখ ১৪-২-২০০৩ (১৪-২-২০০৩ তাৰিখৰ পৰা) যোগে সলনি কৰা হৈছে।

(৬) নিশ্চিত কৰিব যে ব্যক্তিজনে পৰিচালনা কৰা যিকোনো ব্যৱস্থা, পৰীক্ষা বা ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰাৰ উদেশ্যে পৰিচালনা কৰা প্ৰক্ৰিয়া অথবা গৰ্ভধাৰণৰ পূৰ্বে বা পিছত লিংগ নিৰ্ণয় আইনখনৰ ধাৰা ৪ (২) অনুসৰি সামৰি লোৱা হোৱা নাই অৱগত হোৱা আৰু পৰিচালনা কৰা প্ৰক্ৰিয়াসমূহ আইন আৰু নিয়মাৱলীসমূহ ভংগ কৰাৰ নেতৃত্ব বহন কৰিছে বুলি অবগত হলে, যিবোৰ শাস্তিৰ যোগ্য অপৰাধ।

(৭) আইনখনৰ আৰু নিয়মাৱলীৰ ব্যৱস্থাসমূহ ভংগকাৰী সকলক জগৰীয়া কৰিবলৈ আইন বলবৎকাৰী এজেন্সী সমূহক সহায় কৰা,

(৮) তেওঁলোকৰ নাম আৰু পদবী পৰিধান কৰা পোছাকৰ ওপৰত দেখাকৈ প্ৰদৰ্শন কৰিব লাগিব।

(৯) তেওঁলোকৰ স্বাক্ষৰৰ তলত নাম আৰু পদবী সম্পূৰ্ণৰূপে লিখিব লাগিব।

(১০) কোনো কাৰণতে কন্যাভ্ৰূণ হত্যাৰ পৰিচালনা অথবা তেনে কাৰ্য্যত সহায় কৰিব নোৱাৰিব।

(১১) কোনো বৃত্তিমূলক দুষ্কাৰ্য সংঘটিত নকৰিব।

১৯। **আবেদনঃ**

(১) মহকুমা পৰ্যায়ত প্ৰকৃত প্ৰাধিকাৰীৰ সিদ্ধান্তত কোনো ব্যক্তিৰ ক্ষতি হলে মহকুমা পৰ্যায়ৰ প্ৰকৃত প্ৰাধিকাৰীৰ নিৰ্দেশৰ ৩০ দিনৰ ভিতৰত জিলা পৰ্যায়ত প্ৰকৃত প্ৰাধিকাৰীলৈ আপিল কৰিব পাৰিব।

(২) জিলা পৰ্যায়ত প্ৰকৃত প্ৰাধিকাৰীৰ সিদ্ধান্তত কোনো ব্যক্তিৰ ক্ষতি হলে জিলা পৰ্যায়ৰ প্ৰকৃত প্ৰাধিকাৰীৰ নিৰ্দেশৰ ৩০ দিনৰ ভিতৰত ৰাজ্য/কেন্দ্ৰীয় শাসিত পৰ্যায়ৰ প্ৰকৃত প্ৰাধিকাৰীলৈ আপীল কৰিব পাৰিব।

(৩) প্ৰত্যেক আপীল ইয়াৰ প্ৰাপ্তিৰ ৩০ দিনৰ ভিতৰত জিলাৰ প্ৰকৃত প্ৰাধিকাৰী বা ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰকৃত প্ৰাধিকাৰীৰ দ্বাৰা যথানুসাৰে নিষ্পত্তি কৰিব লাগিব।

(৪) যদিহে এজন আপীল কাৰীয়ে উপবিধিৰ (১), (২) নাইবা (৩) ৰ অধীনত বিহিত কৰা সময়ৰ ভিতৰত আপীল নকৰে তেনেহলে প্ৰকৃত প্ৰাধিকাৰীজনে আবেদনকাৰীজনক এনে আপীল দিয়াৰ পৰা পৰ্যাপ্ত কাৰণত বাধা আৰোপ কৰাত যদি তেওঁ সন্তোষিত হয় তেনেহলে প্ৰকৃত প্ৰাধিকাৰীজনে উপৰিউক্ত বিধিমতে বিলম্বৰ কাৰণে দোষ মৰিষণ কৰিব পাৰে।

---

১৪) জি-এচ আৰ ১০৯ (ইং) ১৪-২-২০০৩ (১৪-২-২০০৩ তাৰিখৰ পৰা) যোগে সলনি কৰা হৈছে।
১৫) জি.এচ.আৰ ১০৯ (ইং) ১৪-২-২০০৩ (১৪-২-২০০৩ তাৰিখৰ পৰা) যোগে অন্তভূৰ্ক্ত কৰা হৈছে।

# অনুসূচী-১

[16] [XXX]

## অনুসূচী-২

[15] [XXX]

## অনুসূচী-৩

[17] [প্র-পত্র -ক]

(বিধি ৪ (১) আৰু ৮ (১) চাওঁক

**জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/জন্মবিষয়ক পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং চেন্টাৰৰ পঞ্জীয়ণ বা পঞ্জীয়ণ নবীকৰণৰ কাৰণে আবেদন প্ৰ-পত্ৰ নথিপত্ৰৰ সমৰ্থনত দুটা কপি সংলগ্ন হিচাপে গাঁঠি দিব লাগিব**

১। আবেদন কাৰীৰ নাম
(পঞ্জীয়ণ কৰিব বিচৰা সংস্থাৰ নাম উল্লেখ কৰিব)

২। আবেদনকাৰীৰ ঠিকনা

৩। পঞ্জীয়ণ কৰিব বিচৰা সুবিধাৰ ধৰণ (অনুগ্ৰহ কৰি আবেদনখন জন্ম বিষয়য়ক পৰামৰ্শ দাতা কেন্দ্ৰ/পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰ অথবা এইবোৰৰ যিকোনো সংযোজনৰ পঞ্জীয়ণৰ কাৰণে কৰিছে নেকি উল্লেখ কৰিব)

৪। সম্পূৰ্ণ নাম আৰু ঠিকনা /জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰ ঠিকনাসহ টেলিফোন/ফেক্সৰ নম্বৰ/টেলিগ্ৰাফীক /টেলেক্স /ই-মেইলৰ ঠিকনা।

৫। সংস্থাটোৰমালিকীস্বত্বৰশ্ৰেণী(ব্যক্তিগত মালিকীস্বত্ত্ব/অংশীদাৰত্ব/ কোম্পানী/সমবায়/অন্য কোনো প্ৰকাৰৰ (Article of association) উল্লেখ কৰক) ব্যক্তিগত মালিকীস্বত্ত্বৰ বাহিৰে সংস্থাৰ শ্ৰেণীৰ ক্ষেত্ৰত সংস্থাৰ ধাৰা নাম আৰু পৰিচালনাৰ কাৰণে দায়িত্বশীল ব্যক্তিসকলৰ ঠিকনা সংলগ্ন হিচাবে গাঠি দিব লাগিব।
প্ৰতিষ্ঠানটোৰ শ্ৰেণী (চৰকাৰী চিকিৎসালয়/পৌৰ চিকিৎসালয়/ৰাজহুৱা চিকিৎসালয়/ব্যক্তিগত চিকিৎসালয়/ব্যাক্তিগত নাৰ্চিংহোম/ব্যক্তিগত ক্লিনিক/ব্যক্তিগত পৰীক্ষাগাৰ/আন কোনো প্ৰকাৰৰ বৰ্ণনা কৰক)

৬। প্ৰতিস্থানৰ শ্ৰেণী ঃ
চৰকাৰী চিকিৎসালয় পৌৰ চিকিৎসালয়। ৰাজহুৱা চিকিৎসালয় ব্যক্তিগত চিকিৎসালয়/ব্যক্তিগত নাৰ্চিং হোম/ ব্যক্তিগত ক্লিনিক/ব্যক্তিগত পৰীক্ষাগাৰ/আন কোনো প্ৰকাৰৰ- বৰ্ণনা কৰক।

৭। জন্মৰ আগতীয়া চিনাক্তকৰণ প্ৰক্ৰিয়া, পৰীক্ষা, কোনটোৰ বাবে অনুমোদন বিচৰা হৈছে, নিৰ্দিষ্টকৈ উল্লেখ কৰিব।
(ক) **ইনভেচিভ(বিস্তাৰ মুখী)** ১। অমনিও চেনটেচিচ /কৰিঅনিকভেলি এচপিৰেচন/ক্ৰমজমল /কেমিকেল/ মলেকুলাৰ অধ্যয়ণ।

---

১৬। জি. এচ. আৰ ১০৯ (ইং) তাৰিখ ১৪-২-২০০৩ (১৪-২-২০০৩ ত তাৰিখৰ পৰা) যোগে বিলুপ্ত কৰা হৈছে।

১৭। জি. এচ. আৰ ১০৯ (ইং) তাৰিখ ১৪-২-২০০৩ (১৪-২-২০০৩ ত তাৰিখৰ পৰা) যোগে সলনি কৰা হৈছে।

(খ) **অবিস্তাৰমুখী-** আল্ট্ৰাচন'গ্ৰাফী
জন্মবিষয়ক কেন্দ্ৰৰ বাবে কেৱল পঞ্জীয়ণ কৰণ বিচৰা হৈছে তেনেহলে খালী ৰাখক।

৮। প্ৰস্তুত কৰা আৰু প্ৰত্যেক সা-সঁজুলিৰ আৰ্হিসহ থকা সা-সঁজুলি (পৃথক পত্ৰত তালিকাখন সংলগ্ন কৰিব লাগিব)

৯। (ক) পৰামৰ্শদাতা কেন্দ্ৰত থকা সুবিধাসমূহ ।
(খ) নিম্ন উল্লিখিত পৰীক্ষাৰ কাৰণে সুবিধা সমূহ পৰীক্ষাগাৰ/ক্লিনিকত আছেনে নাই অথবা সুবিধা সমূহ পিছত কৰা হব নেকি ঃ
(১) আল্ট্ৰাচাউণ্ড
(২) এমনিঅ'চেনটেচিচ
(৩) কৰিঅ'নিক ভিলি এচপাইৰোন
(৪) ফটেচ কপি
(৫) কৰ্ডোচেনাটেচিচ

(খ) নিম্নউল্লিখিত সমূহৰ কাৰণে পৰীক্ষাগাৰ ক্লিনিকত সুবিধাসমূহ আছেনে নাই।
(১) ক্ৰোমোচমেল অধ্যয়ণ
(২) বায়'কেমিকেল অধ্যয়ণ
(৩) মলিকুলাৰ অধ্যয়ণ
(৪) প্ৰিমপ্লেনটেচন জেনেটিক চিনাক্তকৰণ কৰ্মচাৰীবৃন্দৰ নাম, অভিজ্ঞতা, পঞ্জীয়ণৰ নম্বৰ (গাঠি দিব লাগিব)

১০। কৰ্মচাৰী বৃন্দৰ নাম, অভিজ্ঞতা পঞ্জীয়নৰ নম্বৰ (গাঁঠি দিব লাগিব)।

১১। বিধি ৩ ত লিপিবদ্ধ কৰা প্ৰয়োজনীয় অৰ্হতাৰ চৰ্ত অনুসৰি জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰ পঞ্জীয়ণৰ কাৰণে মনোনীত হৈছে।

১২। আবেদন নবীকৰণৰ কাৰণে কেৱল
(ক) পঞ্জীয়ণ নম্বৰ ঃ
(খ) বৰ্তমানে থকা পঞ্জীকৰণৰ প্ৰমাণ পত্ৰত দিয়া তাৰিখ আৰু ম্যাদ উকলি যোৱা তাৰিখ (.......................)

১৩। গাঁঠি দিয়া পত্ৰ সমূহৰ তালিকা (আবেদন খনৰ সৈতে গাঁঠি দিয়া সংলগ্ন পত্ৰ/সমৰ্থিত দলিলৰ এক তালিকা অনুগ্ৰহ কৰি গাঁঠি দিব)

তাৰিখ ঃ
স্থান ঃ

পঞ্জীকৰণৰ কাৰণে সংস্থাৰ পঞ্জীকৰণৰ কাৰণে
কৰ্তৃত্ব প্ৰদান কৰা ব্যক্তিৰ নাম,
পদবী আৰু স্বাক্ষৰ

** যিখিনি প্ৰযোজ্য নহয় আবশ্যক নহয় কাটি পেলাওক। আবেদনকাৰীৰ স্বাক্ষৰ যোগে সংলগ্ন কৰা সকলো পত্ৰ সত্যাসত্য নিৰূপন কৰিব লাগিব।*

## ঘোষণা

মই শ্ৰী/শ্ৰীমতী/কুমাৰ/ডাঃ ..........................................................................ৰ পুতেক/......................................... /পত্নী ৰ ..................... বয়স ........................বছৰ ........................ৰ ............... ত (পঞ্জীয়ণ কৰিব বিচৰা ......................... উল্লেখ কৰিব) কাম কৰা হিচাবে পদবী উল্লেখ কৰিব) ইয়াৰ দ্বাৰা ঘোষণা কৰো যে মই জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা (বিনিয়ম আৰু অপব্যৱহাৰ প্ৰতিৰোধ) আইন, ১৯৯৪ (১৯৯৪ ৰ ৫৭) আৰু জন্মৰ আগতীয়া চিনাক্তকৰণ ব্যৱস্থা (বিনিয়ম আৰু অপব্যৱহাৰ প্ৰতিৰোধ) নিয়মাৱলী, ১৯৯৬ পঢ়িছো আৰু বুজিছো।

মই উপৰিউক্ত আইন আৰু নিয়মাৱলী সমূহ জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰা চাউণ্ড ক্লিনিক আৰু ইমাজিং কেন্দ্ৰত নিয়োজিত সকলো কৰ্মচাৰিকে ব্যাখ্যা কৰিবলৈ দায়িত্ব গ্ৰহণ কৰিছো যাৰ ক্ষেত্ৰত পঞ্জীকৰণ বিচৰা হৈছে উক্ত আইন আৰু নিয়মাৱলী সম্পূৰ্ণৰূপে মানি চলা হব।

তাৰিখ-<br>
স্থান -

*পঞ্জীকৰণৰ কাৰণে সংস্থাৰ পঞ্জীকৰণৰ*<br>
*কাৰণে কৰ্ত্তৃত্ব প্ৰদান কৰা ব্যক্তিৰ নাম,*<br>
*পদবী আৰু স্বাক্ষৰ*<br>
(পঞ্জীয়ণ কৰিব বিচৰা সংস্থাটোৰ মোহৰ)

## প্ৰাপ্তি স্বীকাৰ

বিধি ৪ (২) আৰু ৮ (১) চাওক

আবেদনখন প্ৰ-পত্ৰ 'ক' অনুসৰি দ্বৈত্ব প্ৰতিলিপি হিচাবে জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰৰ মঞ্জুৰ /পঞ্জীয়ণৰ নবীকৰণৰ কাৰণে .............................................ৰৰ.............................................(আবেদনকাৰীৰ নাম আৰু ঠিকনা) প্ৰকৃত কৰ্ত্তৃপক্ষৰ যোগে ....................ত (তাৰিখ) পোৱা হৈছে।

প্ৰ-পত্ৰ ক'ত গাঁঠি দিয়া পত্ৰ তালিকাখন গাঁঠি দাখিল কৰা পত্ৰ সমূহ পৰীক্ষা কৰা হৈছে আৰু শুদ্ধ দেখা গৈছে।

নাইবা

সত্যাসত্য নিৰূপনত দেখা গল যে নিম্ন উল্লিখিত তথ্যপাতি তালিকাখনত প্ৰকৃততে গাঁঠি দিয়া নাই।

এই প্ৰাপ্তি স্বীকাৰ আবেদনকাৰীজনক পঞ্জীয়ণৰ মঞ্জুৰ অথবা নবীকৰণৰ কাৰণে কোনো চৰ্ত প্ৰদান নকৰে।

তাৰিখ-<br>
স্থান-

প্ৰকৃত কৰ্ত্তৃপক্ষ অথবা কাৰ্যালয়ৰ<br>
কৰ্ত্তৃত্বপ্ৰাপ্ত প্ৰকৃত প্ৰাধিকাৰীজনৰ<br>
স্বাক্ষৰ আৰু পদবী<br>
চীল মোহৰ

# গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰুণৰ লিঙ্গ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন, ১৯৯৬

## মূল/ডুপ্লিকেট প্ৰদৰ্শনৰ বাবে

## প্ৰ-পত্ৰ-খ

(বিধি ৬ (২); ৬ (৫) আৰু ৮ (২) চাওঁক)

**পঞ্জীয়ণৰ প্ৰমাণ -পত্ৰ**

(ডুপ্লিকেট হিচাবে দিব লগীয়া)

১। জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা (বিনিয়ম আৰু অপব্যৱহাৰ নিষিদ্ধকৰণ) আইন, ১৯৯৪ ৰ ৫৭) ৰ ধাৰা ১৯ (১) ৰ অধীনত প্ৰদত্ত ক্ষমতা অনুসৰি সংশ্লিষ্ট প্ৰাধিকাৰীয়ে............ জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/জন্মবিষয়ক পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰ, নামৰ তলত দিয়াৰ উদেশ্যে জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/জন্মৰ আগতীয়া নিৰ্দ্ধাৰিণ প্ৰক্ৰিয়া/জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা/আল্ট্ৰাচন'গ্ৰাফী - এই আইনৰ অধীনত ৫ বছৰৰ বাবে পঞ্জীয়ণ মঞ্জুৰ কৰা হ'ল, যাৰ ম্যাদ ............. তাৰিখ লৈ।

২। এই আইন আৰু নিয়মাৱলীৰ অধীনত এই পঞ্জীয়ণ মঞ্জুৰ কৰা হ'ল আৰু এই পঞ্জীয়ণ প্ৰমাণ পত্ৰৰ ৫ বছৰৰ ম্যাদ উকলি গলে চাচপেনচন বা বাতিলৰ বাবে বাধা আৰোপ কৰিব পাৰিব।

(ক) জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং চেন্টাৰৰ নাম আৰু ঠিকনা।

(খ) জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা (জন্ম বিষয়ক ক্লিনিক) ৰ কাৰণে অনুমোদিত।

**অবিস্তাৰ মুখী ঃ আল্ট্ৰাচাউণ্ড**

১। বিস্তাৰমুখী
২। এমনিওচেনটেচিচ্
৩। কৰিঅনিক ভিলি বায়পচি
৪। ফয়েট'চ্কপি
৫। ফয়টেল স্কিন আৰু অৰ্গেন বায়প্চি
৬। কৰ্ডোচেনটেচিচ
৭। অন্যান্য যিকোনো (নিৰ্দিষ্ট কৰক)

গ) জন্মৰ আগতীয়া নিৰ্ণয় পৰীক্ষা অনুমোদিত (জন্মবিষয়ক পৰীক্ষাগাৰৰ কাৰণে)

১। ক্ৰোমোচ'মেল অধ্যয়ণ
২। বায়'কেমিকেল অধ্যয়ণ
৩। মলিকুলাৰ অধ্যয়ণ

ঘ) আন যিকোনো উদেশ্যে (অনুগ্ৰহ কৰি নিৰ্দিষ্ট কৰক)।

৩। প্ৰয়োগ কৰা অনুযায়ী সা-সঁজুলিৰ আৰ্হি প্ৰস্তুত (কোনো সাল-সলনি কৰিবলগীয়া হ'লে বিধি ১৩ ৰ অধীনত প্ৰকৃত কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিব)।

৪। আবন্টিত পঞ্জীয়ণ নম্বৰ।

৫। প্ৰাথমিক পঞ্জীয়ণৰ প্ৰমাণ পত্ৰৰ বৈধ সময় (পৰা ............................লৈ..............................) (কেৱল পঞ্জীয়ণ প্ৰমাণ পত্ৰ নবীকৰণৰ বাবে)

তাৰিখ ঃ

স্থান ঃ

প্ৰকৃত কৰ্তৃপক্ষৰ নাম, স্বাক্ষৰ আৰু পদবী মোহৰ

---

*প্ৰযোজ্য নহলে বা প্ৰয়োজন নাথাকিলে কাটি পেলাওক। এটা প্ৰতিলিপি ব্যৱসায়িক স্থানত চকুত লগাকৈ আৰি ৰাখক।

## প্র-পত্র-গ

(বিধি ৬ (৩), ৬ (৫) আৰু ৮(৩) চাওঁক)

**পঞ্জীয়ন বা নবীকৰণৰ আবেদন বাতিল কৰণৰ প্র-পত্র**

গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰূণৰ লিংগ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক আইন, ১৯৯৬ ৰ ধাৰা ১৯ (২) ৰ অধীনত প্ৰদত্ত ক্ষমতা অনুসৰি সংশ্লিষ্ট কৰ্ত্তৃপক্ষই উল্লিখিত জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/জন্মবিষয়ক পৰীক্ষাগাৰ /ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰৰ মঞ্জুৰী/নবীকৰণ পঞ্জীয়ণৰ বাবে সংশ্লিষ্ট কৰ্ত্তৃপক্ষই ........................................................ ইয়াৰ দ্বাৰা আবেদন নাকচ কৰিছো।

(১) জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰৰ নাম আৰু ঠিকনা

(২) পঞ্জীয়ণৰ নবীকৰণ/অনুমোদনৰ আবেদন পত্ৰ নাকচ কৰণৰ কাৰণ ঃ

তাৰিখ- (......................................................)

স্থান - চীল মোহৰৰ সৈতে প্ৰকৃত প্ৰাধিকাৰীৰ নাম. স্বাক্ষৰ আৰু পদবী

## প্র-পত্র- ঘ

(বিধি ৯ (২) চাওক)

**জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰৰ জৰিয়তে তথ্য পাতিৰ পৰিচালনাৰ কাৰণে প্র-পত্র**

১। জন্ম বিষয়ক পৰামৰ্শদাতা কেন্দ্ৰৰ নাম ও ঠিকনা
২। পঞ্জীয়ণ নম্বৰ
৩। ৰোগীৰ নাম
৪। বয়স
৫। পিতাৰ /স্বামীৰ নাম
৬। সম্পূৰ্ণ ঠিকনাৰ লগতে টেলিফোন নং , যদি আছে
৭। অবগতিৰ অৰ্থে প্ৰেৰণ কৰা (ডাক্তৰবৰ্গৰ নাম আৰু ঠিকনা) পঞ্জীয়ণ নম্বৰৰ সৈতে (কেচ পেপাৰৰ লগত প্ৰেৰিত টোকা যথাযথভাবে সংৰক্ষণ কৰিব লাগিব)
৮। শেহতীয়া মাহেকীয়া/গৰ্ভধাৰণৰ সপ্তাহ
৯। জন্মবিষয়ক পৰিয়ালটোত চিকিৎসাজনীত বেমাৰৰ (নিৰ্দিষ্ট কৰক)।

**পৰীক্ষাৰ ধৰণ**

ক) ক্লিনিকেল
খ) বায়'কেমিকেল
গ) চায়ট'জেনেটিক
ঘ) অন্যান্য (অৰ্থাৎ ৰেডিঅ'লজিকেল, আল্ট্ৰাচন'গ্ৰাফী)

---

*আবশ্যক বা প্ৰযোজ্য নোহোৱা খিনি কাটি পেলাওক।

**১০। জন্মৰ আগতীয়া নিৰ্ণয় পৰীক্ষা**

(ক) আগৰ সন্তান /ল'ৰা ছোৱালীৰ সৈতে

১) ক্ৰোমোচমেল অনিয়ম

২) মেটাবলিক অনিয়ম

৩) জন্মবধি বা ওপজোতে বিসংগতি,

৪) মানসিক বাধাগ্ৰস্ত,

৫) হিম'গ্লবিনপেথি

৬) লিংগ সম্পৰ্কীয় অনিয়ম

৭) ব্যক্তিগত লিংগ সম্পৰ্কীয় অনিয়ম

৮) আন যিকোনো (নিৰ্দিষ্ট কৰিব)

(খ) মাতৃত্ব অৱস্থাৰ সময়ত বয়স (৩৫ বা তাৰ ওপৰৰ বয়স)

(গ) মাতা/পিতা/সহোদৰৰ জন্মবিষয়ক ৰোগ (নিৰ্দিষ্ট কৰিব)

(ঘ) অন্যান্য (নিৰ্দিষ্ট কৰিব)

**১১। পৰামৰ্শৰ প্ৰক্ৰিয়া**

(ক) আল্ট্ৰাচাউণ্ড

(খ) এমনিঅচেনটেচিচ্

(গ) কৰিঅনিকভিলি বায়'প্চি

(ঘ) ফয়েটচকুপি

(ঙ) ভ্ৰূণৰ আবৰণ নাইবা অৰগেন বায়'প্চি

(চ) কৰ্ড'চেনটেচিচ

(ছ) অন্যান্য যিকোনো (নিৰ্দিষ্ট কৰিব)

**১২। পৰীক্ষাগাৰৰ পৰীক্ষাই সম্পন্ন কৰিব**

(১) ক্ৰোম'চমেল অধ্যয়ণ

(২) বায়'কেমিল অধ্যয়ণ

(৩) মলিকুলাৰ অধ্যয়ণ

(৪) প্ৰিমপ্লেনটেনচন জন্ম বিষয়ক পৰীক্ষা

**১৩। পৰীক্ষাৰ ফলাফল**

যদিহে বাধাগ্ৰস্থ হয় সম্পূৰ্ণ বিৱৰণ দিব স্বাভাৱিক / বিকৃত

১৪। এম টি পি পৰামৰ্শ আছিল নে ?

১৫। জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰৰ নাম আৰু ঠিকনা, যিজন ৰোগীক পঠোৱা হৈছে

১৬। জন্মবিষয়ক পৰামৰ্শ সম্পূৰ্ণ আৰু আৰম্ভণিৰ তাৰিখ

জন্মবিষয়ক চিকিৎসক /প্ৰসুতি বিশেষজ্ঞ /শিশুবিশেষজ্ঞ

পৰিচালনা কৰা জন্মবিষয় পৰামৰ্শদাতা/ প্ৰসুতি বিশেষজ্ঞ /স্ত্ৰীৰোগ বিশেষজ্ঞ /শিশুৰোগ বিশেষজ্ঞৰ নাম, চহী আৰু পঞ্জীয়ণ নম্বৰ।

স্থান -

তাৰিখ-

# প্ৰ-পত্ৰ-ঙ

(বিধি ৯ (৩) (চাওঁক)

## জন্মবিষয়ক পৰীক্ষাগাৰে তথ্যপাতিবোৰৰ পৰিচালনা কৰাৰ কাৰণে প্ৰ-পত্ৰ

১। জন্মবিষয়ক পৰীক্ষাগাৰৰ নাম আৰু ঠিকনা

২। পঞ্জীয়ণ নম্বৰ ঃ

৩। ৰোগীৰ নাম

৪। বয়স

৫। স্বামীৰ/পিতৃৰ নাম

৬। সম্পৰ্ণ ঠিকনাৰ লগতে টেলিফোন নং, যদিহে আছে।

৭। প্ৰেৰকৰ/নমূনা প্ৰেৰকৰ (সম্পূৰ্ণ নাম আৰু ঠিকনা জন্মবিষয়ক ক্লিনিকৰ) (প্ৰেৰিত টোকা সঠিকভাবে কেচ পেপাৰৰ লগত সংৰক্ষণ কৰিব লাগিব)

৮। নমুনাৰ ধৰণ ঃ
মাতৃৰ ফলৰ তেজ / কৰি অনিক আবৰণৰ নমুনা /এমনিওটিক ফ্লুইদ/ভ্ৰুণৰ তেজ নাইবা ভ্ৰুণৰ টিচু (নিৰ্দিষ্ট কৰিব)

৯। জন্মৰ আগতীয়া নিৰ্ণয়ৰ বিশেষ সংকেত।

(ক) আগৰ সন্তান/লৰা-ছোৱালীৰ সৈতে

১। ক্ৰোমোজ'মেল অনিয়ম

২। মেটাব'লিক অনিয়ম

৩। মালফ'ৰ মেচন (এচ)

৪। মানসিক জড়তা

৫। হিৰোদিটাৰী হিমোলিটিক এনিমিয়া

৬। লিংগ সম্পৰ্কিত অনিয়ম

৭। একপক্ষীয় জীনৰ অনিয়ম

৮। অন্যান্য যিকোনো (নিৰ্দিষ্ট কৰিব)

(খ) মাতৃত্বৰ অৱস্থাৰ বয়স (৩৫ বছৰৰ বা তাৰ ওপৰৰ)

(গ) মাতৃ /পিতৃ/সহোদৰৰ জন্মবিষয়ক ৰোগ (নিৰ্দিষ্ট কৰিব)

(ঘ) অন্যান্য (নিৰ্দিষ্ট কৰিব)

১০। **পৰীক্ষাগাৰৰ পৰীক্ষাই সম্পূৰ্ণ কৰিব (সম্পূৰ্ণ বিৱৰণ দিব)**

১। ক্ৰোমোজমেল অধ্যয়ণ

২। বায়'কেমিকেল অধ্যয়ণ

৩। মলিকুলাৰ অধ্যয়ণ

৪। প্ৰিমপ্লেনটেচন জন্মবিষয়ক

১১। **পৰীক্ষাৰ ফলাফল**

৫। যদি বিকৃত সম্পূৰ্ণ বিৱৰণ দিব লাগিব স্বাভাৱিক/ বিকৃত

১২। **যিবোৰ পৰীক্ষা সম্পন্ন কৰা হৈছে তাৰিখত, জন্মৰ আগতীয়া নিৰ্ণয় পৰীক্ষাৰ ফলাফল বহন কৰা ......................**

স্থান -
তাৰিখ-

জন্মবিষয়ক চিকিৎসক/প্ৰতিষ্ঠানৰ
সঞ্চালকৰ নাম; চহী আৰু পঞ্জীয়ণ নম্বৰ

---

*আবশ্যক বা প্ৰযোজ্য নোহোৱা খিনি কাটি পেলাওক।

# প্ৰ-পত্ৰ-চ

(ধাৰা ৪ (৩) , বিধি ৯ (৪) আৰু বিধি ১০ (১ক) ৰ ব্যৱস্থা চাওঁক)

**জন্মবিষয়ক ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক /ইমাজিং কেন্দ্ৰই গৰ্ভৱতী মহিলাৰ সকলৰ তথ্যপাতি পৰিচালনাৰ কাৰণে প্ৰ-পত্ৰ**

১। জন্মবিষয়ক ক্লিনিক /আল্ট্ৰাচাউণ্ড ক্লিনিক /ইমাজিং কেন্দ্ৰৰ নাম আৰু ঠিকনা

২। পঞ্জীয়ণ নম্বৰ

৩। ৰোগীৰ নাম আৰু মহিলাগৰাকীৰ বয়স

৪। প্ৰত্যেকজন শিশুৰ লিংগৰ সৈতে ল'ৰা ছোৱালীৰ সংখ্যা

৫। স্বামীৰ/পিতাৰ নাম

৬। সম্পূৰ্ণ ঠিকনাৰ লগতে টেলিফোন নম্বৰ, যদি আছে।

৭। প্ৰেৰকৰ (ডাক্তৰ/জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰৰ সম্পূৰ্ণ নাম আৰু ঠিকনা (প্ৰেৰিত টোকাপত্ৰ কেচ পেপাৰৰ লগত সাৱধানতাৰে সংৰক্ষণ কৰিব লাগিব) ব্যক্তিগত প্ৰেৰণ

৮। শেহতীয়া মাহেকীয়াৰ সময়/গৰ্ভধাৰণৰ সপ্তাহ

৯। পৰিয়ালৰ ভিতৰত চিকিৎসাজনিত ৰোগ /জন্মৰ ইতিবৃত্ত (নিৰ্দ্দিষ্ট কৰিব)

**পৰীক্ষাৰ ধৰণ**

(ক) ক্লিনিকেল

(খ) বায় কৈমিকেল

(গ) চায়ট'জেনেটিক

(ঘ) অন্যান্য (অৰ্থাত ৰেডিঅ'লজিকেল, আল্ট্ৰাচ'ন গ্ৰাফী ইত্যাদি (নিৰ্দ্দিষ্ট কৰিব)

**১০। জন্মৰ আগতীয়া পৰীক্ষাৰ কাৰণে সংকেত**

(ক) আগৰ সন্তান /ল'ৰাছোৱালীৰ সৈতে

১) ক্ৰোমোজ'মৈল অনিয়ম

২) মেটাব'লিক অনিয়ম

৩) কনজেনীটাল এনোমলি

৪) মানসিক বাধাগ্ৰস্ত

৫) হিম'গ্লোবিনোপেথি

৬) লিংগ সম্পৰ্কিত অনিয়ম

৭) ব্যক্তিগত জীন অনিয়ম

অন্যান্য যিকোনো (নিৰ্দ্দিষ্ট কৰিব)

(খ) মাতৃত্বৰ সময়ত বয়স (৩৫ বছৰ)

(গ) মাতৃ/পিতৃ /সহোদৰৰ জন্মগত ৰোগ (নিৰ্দ্দিষ্ট কৰক)

(ঘ) অন্যান্য (নিশ্চিত কৰক)

১১। প্ৰক্ৰিয়াবোৰ বহনকাৰী (স্ত্ৰীৰোগ বিশেষজ্ঞ /ৰেডিঅ' লজিষ্ট /পঞ্জীকৃত মেডিকেল চিকিৎসকৰ নাম আৰু পঞ্জীয়ণ নম্বৰ) যিয়ে এইবোৰ সম্পন্ন কৰে।

<u>অবিস্তাৰমুখী</u>

১। আল্ট্ৰাচাউণ্ড (গৰ্ভাৱস্থাত বিশেষ উদেশ্যৰ কাৰণে যি আল্ট্ৰাচাউণ্ড কৰা হয়) (গৰ্ভৱতী মহিলাৰ আল্ট্ৰাচ'নগ্ৰাফীৰ কাৰণে লক্ষণবোৰৰ এক তালিকা তলৰ টোকাত দিয়া আছে)

<u>বিস্তাৰমুখী</u>

১। ওমনিও চেমটেচিচ্
২। কৰিঅ'নিক ভিলি এচপাইৰেচন
৩। ফ'টেল বায়'প্চি
৪। ক'ৰডোচেনটেচিচ
৫। অন্য যিকোনো (নিৰ্দিষ্ট কৰিব)

১২। প্ৰক্ৰিয়াৰ কিবা জটিলতা আছে নেকি - অনুগ্ৰহ কৰি নিশ্চিত কৰিব।

১৩। **পৰীক্ষাগাৰৰ পৰীক্ষাই চুপাৰিশ কৰা**
(ক) ক্ৰোমোজমেল অধ্যয়ণ
(খ) বায়'কেমিকেল অধ্যয়ণ
(গ) মলিকুলাৰ অধ্যয়ণ
(ঘ) প্ৰিমপ্লেনটেচন জেনেটিক পৰীক্ষা

১৪। **ফলাফলৰ**
(ক) জন্মৰ আগতীয়া নিৰ্ণয় প্ৰক্ৰিয়া (বিশদ বিৱৰণ দিব)
(খ) আল্ট্ৰাচন'গ্ৰাফী
(বিকৃত/ধৰা পেলাই যদি কোনো) স্বাভাৱিক/অস্বাভাৱিক

১৫। কোন তাৰিখত কেনে প্ৰক্ৰিয়া পালন কৰা হৈছিল।
১৬। কোন তাৰিখত সন্মতি লোৱা হৈছিল (বিস্তাৰমুখীৰ ক্ষেত্ৰত)
১৭। জন্মৰ আগতীয়া নিৰ্ণয় প্ৰক্ৰিয়াৰ ফলাফল ................ত যোগাযোগ কৰা হৈছিল।
১৮। এম টি পি ৰ পৰামৰ্শ/সম্পন্ন কৰা হৈছিল নেকি ?
১৯। এম টি পি কোন তাৰিখত কৰা হৈছিল।

স্থান-
তাৰিখ-

স্ত্ৰীৰোগ বিশেষজ্ঞ/ৰেডিঅ'লজিষ্ট
ক্লিনিকৰ সঞ্চালকৰ নাম, চহী আৰু পঞ্জীয়ণ নম্বৰ

# গৰ্ভৱতী মহিলাৰ ঘোষণা

মই শ্ৰীমতী ........................................(গৰ্ভৱতী মহিলাৰ নাম) য়ে ঘোষণা কৰো যে আল্ট্ৰাচন'গ্ৰাফী /ইমাজিং স্কেনিং ইত্যাদিৰ দ্বাৰা মই মোৰ ভ্ৰূণৰ লিংগ জানিবলৈ বিচৰা নাই।

গৰ্ভৱতী মহিলাৰ চহী /আঙুলিৰ টীপ

## ডাক্তৰ/আল্ট্ৰাচন'গ্ৰাফী/ইমেজ স্কিনিং কৰা ব্যক্তিৰ ঘোষণা-

মই শ্ৰী ডাঃ ........................................( আল্ট্ৰাচন'গ্ৰাফী /ইমেজ স্কিনিং কৰা ব্যক্তিৰ নাম) য়ে ঘোষণা কৰো যে শ্ৰীমতী........................................ (গৰ্ভৱতী মহিলাৰ নাম) ৰ ক্ষেত্ৰত কৰা আল্ট্ৰাচন'গ্ৰাফী/ইমেজস্কিনিং মই কোনো ধৰণে ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰা নাই আৰু তেওঁৰ কাকো প্ৰকাশো কৰা নাই।

আল্ট্ৰাচন'গ্ৰাফী /ইমেজ স্কিনিং/সঞ্চালক নাইবা জেনেটিক ক্লিনিকৰ অংশীদাৰী/
আল্ট্ৰাচাউণ্ড ক্লিনিক /ইমাজিং চেন্টাৰৰ কাৰ্য সম্পন্ন কৰা ব্যক্তিৰ নাম আৰু চহী।

### আৱশ্যকীয় টোকা

১। লিংগ সম্পৰ্কীয় ৰোগ চিনাক্ত কৰণৰ কাৰণে যেনে ডাচেনি মাচকুলাৰ ডিষ্ট্ৰ'ফি, হিম'ফিলা 'ক' আৰু 'খ' ইত্যাদিৰ বাহিৰে ভ্ৰূণৰ লিংগ নিৰূপন সমাপন কৰিবলৈ আল্ট্ৰাচাউণ্ডৰ পৰামৰ্শ নিদিব।

২। গৰ্ভাৱস্থাত নিৰ্দেশানুযায়ীহে কেৱল আল্ট্ৰাচন'গ্ৰাফীৰ কাম কৰা উচিত। নিম্ন লিখিত তালিকাত নিৰ্দিষ্ট কৰি দিয়া অনুযায়ী গৰ্ভাৱস্থাত আল্ট্ৰাচন'গ্ৰাফীৰ কাম কৰিব।

 ১। অন্তকোষীয় আৰু/নাইবা গৰ্ভধাৰণৰ বীজলুৱা পদাৰ্থ আৰু সজীৱতা সাব্যস্ত নিৰূপন কৰিবলৈ।

 ২। গৰ্ভাৱস্থাৰ আনুমানিক বয়স (তাৰিখ)।

৩। ভ্ৰূণৰ সংখ্যা আৰু সেইবোৰৰ আৱৰণ সুনিশ্চিত কৰা।

৪। আই -ইউ- চি-ডি-ত উৎপত্তি সন্দেহজনক গৰ্ভাৱস্থা নতুবা উল্লিখিত সন্দেহজনক গৰ্ভাৱস্থা /এম্ টি পি কাম নকৰা।

৫। জৰায়ুৰ ৰক্তক্ষৰণ /নিঃ সৰণ।

৬। সঘনাই গৰ্ভপাত কৰা সন্দৰ্ভত।

৭। জৰায়ুৰ মুখৰনলীৰ আৰু আভ্যন্তৰীণ গৰ্ভৰ জোখ নিৰ্ণয়।

৮। গৰ্ভৰ আকাৰ আৰু আবৰণৰ সময়ৰ মাজত ভিন্নতা।

৯। গ্ৰন্থি বা জৰায়ু সম্বন্ধীয় যিকোনো সন্দেহজনক নিদান/অস্বাভাবিকতা।

---

*আৱশ্যক বা প্ৰযোজ্য নোহোৱা খিনি কাটি পেলাওক।

১০। ক্রম'জমৰ অস্বাভাবিকতা ভ্রূণ গঠনৰ ত্রুটি আৰু অন্যান্য অস্বাভাবিকতা আৰু সেইবোৰৰ অনুসৰণ উদ্ভাৱন কৰা।

১১। ভ্রূণৰ উপবিষ্ট আৰু স্থিতি নির্ণয়।

১২। জলীয় ভ্রূণদেহৰ আৱৰণ নির্ণয়।

১৩। ভ্রূণ দেহৰ আবৰণ প্রসৱৰ আগেয়ে/নির্দিষ্ট সময়ৰ আগেয়ে ওলাই আহিলে।

১৪। গৰ্ভফুলৰ স্থিতি, গাঢ়তা, বাঢ়ণ আৰু অস্বাভাবিকতা নির্ণয় (গৰ্ভফুলৰ স্থিতি, পূৰ্বাৱস্থা, গাঢ়তা, বাঢ়ণ আৰু অস্বাভাৱিকতা (গৰ্ভফুল, ৰক্ত ৰঞ্জকৰ পূৰ্বাৱস্থা, সংযোজিত অস্বাভাবিকতা ইত্যাদি।)

১৫। নাড়ী উপস্থাপন, অৰ্ন্তভূক্তি, অন্তকোষৰ মূল আবেষ্টনী, পাত্রৰ সংখ্যা আৰু প্রকৃত গাঠিৰ আগৰ অৱস্থা।

১৬। পূৰ্বৰ অস্ত্রোপচাৰৰ চিহ্ন নির্ণয়।

১৭। ভ্রূণ বৃদ্ধিৰ জোখমাখ, ভ্রূণৰ ওজন আৰু সজীৱতা নির্ণয়।

১৮। প্রবাহিত ৰঙৰ অংকণ আৰু ডুপ্লেক্স দপলাৰৰ দ্বিগুণত্ব অধ্যয়ণ।

১৯। নির্দেশিত আল্ট্রাচাউণ্ড প্রক্রিয়া, যেনে গৰ্ভাৱস্থাৰ অপসাৰণ চিকিৎসা, বাহ্যিক মস্তিষ্কৰ বৃত্তান্ত ইত্যাদি, আৰু সেইবোৰৰ অনুসৰণ।

২০। চিনাক্তকৰণ আৰু চিকিৎসাবিষয়ক বিস্তাৰমূখী সংক্রামক, যেনে কৰিঅনিক ভিলাচ চেম্পলিং (EVS) এমনিঅ'চৈনটিচিচ, ভ্রূণদেহৰ আবৰকৰ তেজৰ নমুনা, ভ্রূণৰ ছালৰ বায়'পচি, ভ্রূণদেহৰ আববকৰ সঞ্চালন, দেহৰ অন্তকোষীয় সঞ্চালন, অবস্থানৰ লৰচৰ ইত্যাদি।

২১। ইন্ট্রাপার্টাম কার্য পর্যবেক্ষণ।

২২। জটিল গৰ্ভাৱস্থাৰ চিকিৎসা/অস্ত্রোপ্রচাৰ।

২৩। স্বীকৃতিপ্রাপ্ত প্রতিষ্ঠান সমূহৰ গৱেষণা/বৈজ্ঞানিক অধ্যয়ণ।

গৰ্ভৱতী মহিলাৰ আল্ট্রাচন'গ্রাফী কৰা ব্যক্তিজনে ক্লিনিক/কেন্দ্রত প্র-পত্র-"চ" ত সেই বিষয়ে সম্পূর্ণ তথ্য ৰাখিব আৰু যদি কোনো ঘাটি অথবা অসত্যতা তাত দেখা যায় তেনেহলে আইনখনৰ ধাৰা ৫ অথবা ৬ ব্যৱস্থাৱলীৰ তেনে আল্ট্রাচন'গ্রাফী কৰা ব্যক্তিজনক আইন বিৰোধী বুলি গণ্য কৰা হ'ব।

# প্ৰ-পত্ৰ-ছ
(বিধি ১০ চাওঁক)

## সন্মতি পত্ৰ
(বিস্তাৰ মুখী কাৰিকৰী কৌশলৰ বাবে)

মই, শ্ৰী.................................পত্নী/জীয়েক ....................................................... বয়স...........................বছৰ ...............................বাসকৰো, ইয়াৰ দ্বাৰা জনাওঁ যে, মই জন্মৰ আগতীয়া নিৰূপন প্ৰক্ৰিয়া সম্ভাব্য পাৰ্শ্বক্ৰিয়া আৰু ক্ৰিয়াৰ প্ৰভাৰিতৰ পিচত সম্পূৰ্ণৰূপে ব্যাখ্যা কৰিছো।

মই আগতীয়া প্ৰয়োগ /জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা/ পৰীক্ষা/প্ৰক্ৰিয়াসমূহৰ অধীনত মোৰ নিজৰ ইচ্ছামতে মই ধাৰণ কৰা সন্তানৰ সম্ভাব্য কোনো অস্বাভাবিকতা (অৰ্থাৎ ৰোগ/বিকৃতি/অনিয়মতা) জানিবলৈ ইচ্ছুক।

মই গৰ্ভাৱস্থা অপসাৰণ কৰিবলৈ দায়িত্ব নলও। জন্মৰ আগতীয়া প্ৰক্ৰিয়া/ব্যৱস্থা/পৰীক্ষাৰ দ্বাৰা ৰোগ/বিকৃতি/অনিয়মতা যদিও অবৰ্ত্তমান প্ৰদৰ্শন কৰে।

মই বুজিছো যে ভ্ৰুণৰ লিংগ মোক অবগত কৰা নহ'ব।
মই জানিছো যে এই দায়িত্ব স্বীকাৰ ভংগই মোক জন্মৰ আগতীয়া নিৰ্ণয় ব্যৱস্থা (বিনিয়ম আৰু অপব্যৱহাৰ প্ৰতিৰোধ) আইন, ১৯৯৪ (১৯৯৪ ৰ ৫৭) আৰু তাত লিখিত নিয়মাৱলীয়ে বিহিত কৰা অনুযায়ী মই দোষণীয় হ'ম।

**তাৰিখ ঃ-**

**স্থান ঃ-** **গৰ্ভৱতী মহিলাৰ চহী**

মই উপৰোক্ত বিষয়বস্তু সমূহ ৰোগীক আৰু তেওঁৰ সংগীক (নাম ............................................. ঠিকনা ........................................................ সম্বন্ধ.............................................) মহিলাগৰাকী/তেওঁলোকে বুজি পোৱা ভাষাত ব্যাখ্যা কৰিছো।

তাৰিখ ঃ-
স্থান ঃ-

স্ত্ৰীৰোগ বিশেষজ্ঞ/মেডিকেল জেনেষ্টিষ্ট /ৰেডিঅ'লজিষ্ট /পেডিআট্ৰিচিয়ান/ক্লিনিকৰ সঞ্চালক /কেন্দ্ৰ/ পৰীক্ষাগাৰৰ নাম, চহী আৰু /পঞ্জীয়ণ নম্বৰ।

জেনেটিক ক্লিনিক/প্ৰতিষ্ঠানৰ নাম, ঠিকনা আৰু পঞ্জীয়ণ নম্বৰ/মোহৰ

# প্ৰ-পত্ৰ-জ

(বিধি ৯ (৫) চাওঁক)

**গৰ্ভপূৰ্ব্বক আৰু গৰ্ভস্থ ভ্ৰূণৰ লিঙ্গ নিৰ্ণয় প্ৰযুক্তি বিধিৰ (অপব্যৱহাৰ নিয়ন্ত্ৰণ আৰু নিবাৰক) আইন-১৯৯৪ আইন, ১৯৯৪ ৰ অধীনত পঞ্জীয়ণ নাকচ/অনুমোদনৰ কাৰণে আবেদনৰ স্থায়ী লেখ্যৰ পৰিচালনাৰ প্ৰ-পত্ৰ।**

১। ক্ৰমিক নম্বৰ

২। প্ৰকৃত কৰ্তৃপক্ষৰ (ফাইল) নথি নম্বৰ

৩। পঞ্জীয়ণৰ অনুমোদনৰ কাৰণে আবেদন প্ৰাপ্তিৰ তাৰিখ

৪। আবেদনকাৰীৰ নাম, ঠিকনা, টেলিফোন/ফেক্স আদি

৫। জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/ পৰীক্ষাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং চেন্টাৰৰ নাম আৰু ঠিকনাবোৰ।

৬। সংক্ষেপে উপদেষ্টা সমিতিৰ বিবেচনা আৰু চুপাৰিশকৰণৰ তাৰিখ।

৭। আবেদনৰ ফলাফল (নিৰ্দেশ দিয়া তথ্যৰ প্ৰদান কৰা নিৰ্দেশৰ তাৰিখ প্ৰ-পত্ৰ খ অথবা গ ত বৰ্ণনা কৰক।

৮। আবন্টিত পঞ্জীয়ণ নম্বৰ আৰু পঞ্জীয়ণৰ ম্যাদ উকলি যোৱাৰ তাৰিখ।

৯। নবীকৰণ (নবীকৰণ আৰু কিমান তাৰিখলৈকে নবীকৰণ কৰা হৈছে)।

১০। নবীকৰণ পৰিচালনাত নথি নম্বৰ

১১। অতিৰিক্ত তথ্য, যদিহে যি কোনো থাকে।

**প্ৰকৃত প্ৰাধিকাৰীৰ নাম চহী আৰু পদবী**

## প্ৰকৃত প্ৰাধিকাৰীৰ কাৰণে নিৰ্দেশনা

ক) প্ৰকৃত কৰ্তৃপক্ষৰ দায়িত্বৰ পঞ্জীয়ণ বহী হিচাবে প্ৰ-পত্ৰ জ স্থায়ী লেখ্য হিচাবে পৰিচালনা কৰিব লাগিব।

খ) কাটি পেলাওক মানে যিটো প্ৰযোজ্য নহয়।

গ) নবীকৰণৰ সময়ত জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/গৱেষণাগাৰ/ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰৰ পঞ্জীয়ণ নম্বৰ নবীকৰণত সলনি কৰা নহ'ব। মালিকী স্বত্ব অথবা পৰিচালনা পৰিৱৰ্তন হোৱাৰ ক্ষেত্ৰত নতুন পঞ্জীয়ণ নম্বৰ আবন্টন কৰা হ'ব।

ঘ) পঞ্জীয়ণ নম্বৰ দুবাৰ দিয়া নহ'ব।

ঙ) প্ৰত্যেক জন্মবিষয়ক পৰামৰ্শদাতা কেন্দ্ৰ/পৰীক্ষাগাৰ/জেনেটিক ক্লিনিক/আল্ট্ৰাচাউণ্ড ক্লিনিক/ইমাজিং কেন্দ্ৰ সমূহে দুই পৃষ্ঠাৰ আদালতৰ ছীল মোহৰ থকা পঞ্জীয়ণ বহী প্ৰ-পত্ৰ "জ" ৰ কাৰণে আবন্টন দিয়া হ'ব।

চ) "অতিৰিক্ত তথ্য" ৰ কাৰণে থকা ঠাই খিনি বিলম্বন, নাকচকৰণ, বাতিলকৰণ, মালিকী স্বত্ব/পৰিচালনা ন্যায়িক যি কোনো কাৰ্য ব্যৱস্থা ইত্যাদিৰ ফলাফল তথ্য লিপিবদ্ধ কৰাৰ কাৰণে ব্যৱহাৰ কৰিব পাৰিব।

ছ) আদালতৰ চীল মোহৰ (অৰ্থাৎ দুই পৃষ্ঠাৰ) থকা পঞ্জীয়ণ বহীখন তাৰিখৰ সৈতে প্ৰকৃত প্ৰাধিকাৰীৰ স্বাক্ষৰৰ দ্বাৰা সতাসত্য প্ৰমাণ কৰিব লাগিব। আৰু ইয়াৰ পিচৰ অন্তৰ্ভূক্তিও একেদৰে সতাসত্য নিৰূপণ কৰিব লাগিব।

x x x x x